

6·JUN 1966

শলাগ-জাননী

বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰ
দেৱৰ 'ভাযা ও ছন্দ' নামেৰে

Accession No ....

STATE CENTRAL LIBRARY
GOVERNMENT OF ASSAM
SHILLONG.

1. Books may be retained for a period not exceeding fifteen days by members
2. Books may be renewed on request at the discretion of the Librarian.
3. Dog-earing the pages of a book, marking or writing therein with ink or pencil, tearing or taking out pages or otherwise damaging it will constitute an injury to a book.
4. Any such injury to a book is a serious offence. Unless a borrower points out the injury at the time of borrowing the book, he shall be required to replace the book or pay its price.

Library books will give you joy for long
if handled carefully with clean hand

জোনাকী পুথি-ঠগা (৬)

ৰংমহল

—: আবৃত্তিৰ উপযোগী নাটিকাৱলী :—

BOOK

ৰচোতা
শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা এম-এ, বি-এল, বি-টি
অধ্যাপক, কটন কলেজ

উজান বজাৰ
গুৱাহাটী

GOVERNMENT OF ASSAM
Call No. 891.492
H.33.R
DISTRICT LIBRARY

১ম তাঙৰণ ১৯৪৯ চন

চপলা বুক ষ্টল
অসমৰ বৃহত্তম পুস্তক প্ৰতিষ্ঠান
শিলং

প্ৰকাশক

শ্ৰীজিতেন্দ্ৰজিৎ মেধি
C/o এ-চি হাজৰিকা
গুৱাহাটী

মূল্য— ডেৰ টকা

ছপা কৰোতা

শ্ৰীসোণাৰাম বেজ
নিউ প্ৰেছ—গুৱাহাটী

নিবেদন

আমাৰ কলেজীয়া জীৱনত আৰু তাৰ পিছত অসম ছাত্ৰ সম্মিলনৰ বিভিন্ন উপলক্ষ্য আৰু বটা-বিতৰণী সভা আদিত আবৃত্তিৰ বাবে সময়ে সময়ে এই নাটিকাখিনি ৰচনা কৰা হৈছিল আৰু একাধিকবাৰ ভিন ভিন ঠাইত অভিনীত হৈছিল ! মিলন, বাঁহী, জয়ন্তী, আৱাহন আদি পুৰণি আলোচনীবোৰত সিঁচৰতি হৈ থকা সেই আমাৰ ৰচনাখিনিকে থুপ খুৱাই ৰংমহল যুগুত কৰি জোনাকী পুথি-ঠগাৰ ৬ষ্ঠ অৰ্ঘ্য স্বৰূপে ৰাইজৰ আগলৈ উলিয়া হল ।

সেৱাহে ।

উজান বজাৰ
গুৱাহাটী
১।৭।৪৯

বিনীত

গ্ৰন্থকাৰ

-ঃ জোনাকী পুথি-ঔগা ঃ-

১। কথা-কীৰ্ত্তন

২। কথা-দশম (আগছোৱা)

৩। কথা-দশম (শেষছোৱা)

৪। নীলা চৰাই

৫। পুৰণি সাহিত্যৰ পাৰিজাত

৬। ৰং-মহল

৭। মাণিকিমধুৰী

৮। ৰুনুকজুনুক

৯। বৈষ্ণৱ-সাহিত্যৰ মৌচাক

১০। অসমীয়া-নাটৰ সাধু

১১। লৰাৰ জাতক

—ইত্যাদি

সূচী

নাটিকা	প্ৰথমে কত ওলাইছিল	পৃষ্ঠা
১। নতুন যুগ ...	বাঁহী ...	১
২। প্ৰাগজ্যোতিষ ...	মিলন ...	৪
৩। বাল্মীকি-নাৰদ সংবাদ	জয়ন্তী ...	১১
৪। হোলি ...	মিলন ...	১৯
৫। ভীষ্ম ...	আমাৰ দেশ ...	২১
৬। একলব্য ...	তৰুণ ...	২৩
৭। দাতা কৰ্ণ ...	আহ্বান ...	৩০
৮। ভানুমতী ...	আহ্বান ...	৪২
৯। জয়দেৱ ...	অঞ্জলি ...	৪৯
১০। ছোহৰাব ৰস্তম	আহ্বান ...	৫৮
১১। স্বদেশমন্ত্ৰত আত্মবলি	বাঁহী ...	৬৪
১২। ধাত্ৰী পান্না ...	অসম হিতৈষী ...	৭৩
১৩। বন্দী বীৰ ...	বাঁহী ...	৮৩
১৪। মাতৃপূজাত মোমাইবলি	চেতনা ...	৮৮
১৫। বীৰ-পূজা ...	মিলন ...	৯৬
১৬। কুৰঙ্গনয়নী ...	মিলন ...	১০৪
১৭। শেষ-অৰ্ঘ্য ...	মিলন ...	১১৩

—()—

রং মহল

রং মহল

নতুন যুগ

ঘোষা (উভয়ে)

অকণি অকণি আমি বাই-ভনী সবল কোমল প্ৰাণ,
সকলোকে আমি শুনাব আহিছো নতুন যুগৰ গান।
ত্যাগৰ গৰিমা সত্যৰ মহিমা স্বদেশ-সেৱাৰ ফল,
সাৰোগত কৰি শৰোগত কৰি বুকুত বান্ধিছো বল।
শঙ্খ বজোৱা, বন্তি জ্বলোৱা সজোৱা মঙ্গল ঘট,
নতুন যুগৰ বাতৰি আনিছো দিবলই মৰতত।

লৰা

নতুন যুগৰ আমি দেৱদূত আমি যত সৰু লৰা,
জিলিকি উঠিম ভোটা তৰা হই পোহৰ কৰিম ধৰা।

ছোৱালী

আমি দেৱবালা কুসুম-কোমলা, সৰু ছোৱালীৰ দল,
ৰূপহ জোনৰ বিলাম পোহৰ, ধৰা হব সুশীতল।

লৰা

সূৰ্য্যৰ দৰে তূৰ্য্য বজাই— বিঘিনি নাশিম আমি,
পূজিম সদায় স্বৰ্গতো অধিক আমাৰ জনমভূমি।

ছোৱালী

কুৰুৱা বতাহে উৰুৱাই আনে শান্তিৰ সুৰভি সুৰ,
আমিও সিদৰে পৃথিৱ'ৰ পৰা অশান্তি কৰিম দূৰ।

লৰা

সক বুলি আমি কাকো নিঘিণাও, নিজকো নেভাবো বৰ,
মানুহ মাত্রেই মানুহৰ ভাই, পৃথিবী আমাৰ ঘৰ ।

ছোৱালী

কুৰ্চ্চৃট কপট আঁতৰাই থও সৱাকে সাৱটি লও,
অকণি অকণি আমি বাই-ভনী আপোন-পাহৰা হওঁ ।

লৰা

আমি সৰু লৰা মুক্তিৰ বতৰা দিম আনি জগতত,
ধুমুহাৰ দৰে হুম ভয়ঙ্কৰ বিপদৰ সমুখত !

ছোৱালী

সৰু ছোৱালীৰ মিচিকি হাঁহিয়ে জগত কৰিব জয়,
ফুলৰ বুকুৰ নিয়ৰৰ দৰে থাকিম নিৰ্ম্মল হই ।

লৰা

দেশৰ কাৰণে বলি যাবলই ৰম আমি সাজু হই,
দধীচিৰ দৰে হাড় দিবলই সমূলি নকৰো ভয় ।

ছোৱালী

আমিও পূজিম দেশ-জননীক চৰণত মূৰ থই,
বুকুৰ তেজেৰে চৰণ বোলাম হেংদান হাতত লই ।

লৰা

শৰাইঘাটৰ জেউতি চৰাম এয়ে যে আমাৰ পণ,—
এৰিব লাগিব এলাহ ভীৰুতা, জিনিব লাগিব ৰণ ।

ছোৱালী

জেৰেঙা পথাৰ তীৰ্থ যে আমাৰ জয়াৰ পূজাৰ বেদী,
হিংসা-পশুবল আঁতৰি পলাব বোৱাম প্ৰেমৰ নদী ।

লৰা

আগত আমাৰ মণিৰাম-পিয়লি কুশল-কোঁৱৰ বীৰ,
জননী-পূজাত হাঁহি হাঁহি আমি দিম আগ কৰি শিৰ।

ছোৱালী

কনক লতাই আমাকো দেখায় সৰগী সোণালী বাট,
গুলীৰ আঘাত লম পাতি গাত হ'ম দেৱ-পাৰিজাত।

লৰা

নতুন যুগৰ আমি দেৱদূত জননীৰ ধৰণীৰ—
ধৰমত ধীৰ কৰমত বীৰ, উন্নত আমাৰ শিৰ।

ছোৱালী

আমি দেৱবালা আহিছো ৰঙেৰে আকাশী অমিয়া লৈ
শক্তিৰূপিনী বিঘিনিনাশিনী মুকুতিদায়িনী হৈ।

কবি

আহাঁ তেনে আজি উলাহেৰে সাজি সোণামুৱা স্বৰগৰ!
আহাঁ আইদেউ! বিলোৱাহি মউ পাৰিজাত নন্দনৰ।
শৰাইঘাটৰ আহাঁ বীৰ লৰা, ৰণত বীৰেন্দ্ৰ হই
জেৰেঙা তীৰ্থৰ আয়তীসকল! বিজয় তিলক লই।
কবিতা-ফুলৰ মৰম-আশীষ লোৱা হাতে হাতে দিওঁ,
নতুন যুগৰ মোহন পূজাৰী, কবিৰ বুকুৰ জীউ!
অ' মোৰ সাদৰি, অ মোৰ লাহৰি, আহক উজ্জ্বল দিন,
এই নৱযুগে হব সত্য যুগ বাজিব কবিৰ বীণ।

প্ৰাগজ্যোতিষ

স্থান—নৰগ্ৰহ [মান-মন্দিৰ]

অন্ধকাৰ পুৰতি নিশা। আকাশ তৰালী। ত্ৰয়োদশীৰ ক্ষীণ চন্দ্ৰই ম্লান-বদনে দেখা দিছে। সৃষ্টিকৰ ব্ৰহ্মাই তেতিয়াও নক্ষত্ৰ তৰা সৃষ্টি কৰি আছিল। নৰসৃষ্ট কক্ষহীন জ্যোতিষ্ক মণ্ডলীয়ে আকাশত সিচঁৰতি হৈ উৰি ফুৰিছে। চাওতে চাওতে ধ'ল ফাট দিলে। পুব ফালে অৰুণোদয় হল। চৰায়ে ডালে ডালে পৰি প্ৰভাতী সঙ্গীত জুৰিলে। ভোমোৰাই গুণ গুণ কৰি উৰিবলৈ ধৰিলে। গছে গছে ফুল ফুলি দিশ-বিদিশ আমোলমোল কৰি ঋতুৰাজ বসন্তৰ জেউতি চৰালে! ব্ৰহ্মা পদ্মাসনত বহি ধ্যানমগ্ন। কাষত আঠু লৈ থকা বিষ্ণুদূত আৰু শিৱদূতৰ মূৰ্ত্তি পোহৰত স্পষ্ট হৈ জিলিকি উঠিল। হাতত ফুলৰ কৰণি লৈ বসন্ত আৰু মাধৱী আহি ফুল গছৰ মাজে মাজে এটি দুটি ফুল ছিঙি কৰণিত ভৰাই নাচি নাচি গীত গাবলৈ ধৰিলে।

—: গীত :—

মাধৱী। (আজি) বাজে কি ৰাগিনী পবনে
বসন্ত। আহাহে নকৰা হেলা পাতিছে মোহন মেলা
দুয়ো। চন্দ্ৰ-তাৰকা-তপনে।
বসন্ত। খোপাত আৰিছা মাধৱী-মঞ্জৰী
মাধৱী। পিন্ধিছা বকুল-ঝিঙ্গিৰি
বসন্ত। শৰীৰ আকুল কৰে
মাধৱী। মদনৰ পঞ্চশৰে
দুয়ো। (আহা, আহা,) ফুল্ল উপবনে।
মাধৱী। (তুমি) দুৰন্ত বসন্ত চুম্বন-চোৰ-কম্পন
বসন্ত। ডিঙিত সাৰটি প্ৰিয়া, দিয়া আলিঙ্গন।
দুয়ো। অধৰে অধৰা মিলন-মদিৰা
পিওঁ আহা দুয়োজনে।

ব্ৰহ্মা (হঠাৎ যোগভঙ্গ হৈ)
কোন তোমালোক ?
কিনো হেতু আচম্বিতে বাৰু
কৰিলাহি যোগভঙ্গ মোক ?
নাজানানে সৃষ্টিকৰে সৃষ্টিৰ আগতে।
নিৰলে ইয়াতে বহি
চন্দ্ৰ-সূৰ্য্য গ্ৰহ-তৰা কৰিছে নিৰ্ম্মাণ ?
কিবা প্ৰয়োজন ?

নাইনে মনত ভয়
নিমিষতে শাপি ভস্ম কৰিম তুয়োকে ?
বসন্ত (কৰযোৰে)
প্ৰভু ! প্ৰভু ! ক্ৰোধ তযু কৰা সম্বৰণ ।
নিজ হাতে সৃষ্টি কৰি
কিয় হোৱা নিজে আজি ধ্বংসৰ কাৰণ ?
প্ৰকৃতিৰ উপবন হৈমপুৰী ৰচি
তুমিয়েই আৱাহন কৰিছা আমাক ?
যতে হয় প্ৰকৃতিৰ বিনন্দ-বিলাস
ঋতুৰাজ বসন্তৰ মাধৰীৰ স'তে
হব লাগে তাতে আগমন ।
বন্ধা ৰীতি, সৃষ্টিৰ নিয়ম
আখৰে আখৰে আমি
সেৱক-সেৱিকা তুয়ো কৰিছো পালন ।
কিনো হেতু দিবা অভিশাপ—
কৰিছো মাথোন আমি
বিশ্বপিতা বিধতাৰ চৰণ বন্দনা ?
ব্ৰহ্মা (অলপ বৈ)
অৰণ্যে বসন্ত তুমি কইছা সঁচাকে ।
সমূলঞে পাহৰি নিজকে
গভীৰ যোগত মই আছিলো মগন ।
জনালো তুয়োকো মোৰ মৰম জাননী ।

যোৱা পুত্র, প্রাণৰ বসন্ত মোৰ !
যোৱা কন্যা চেনেহী মাধৱী !
ফুৰাগই নাচি-বাগি মনৰ ৰঙেৰে ।
তোমাসাৰ কাৰণেই মই
এই স্থান কৰিছো নির্ম্মাণ ।

বসন্ত আৰু মাধৱীয়ে ব্রহ্মাক একোটি সেৱা জনাই আঁতৰ হৈ যায়। ব্রহ্মাই হঠাৎ বিষ্ণুদূত আৰু শিৱদূতক দেখা পালে।

ব্রহ্মা। তোমালোক আহিছা কেতিয়া
কিবা হেতু আঠুলই আছা দুয়ো জনে ?
বিষ্ণু। পিতামহ !
বহুদিন দেখা নাই ৰাতুল চৰণ।
শিৱ। আদেশিলে কৰো নিবেদন।
ব্রহ্মা। শুনিম দুয়োৰো কথা এটি এটি কই ।
বিষ্ণুদূত ! কোৱা এবে কিনো নিবেদন।
বিষ্ণু। পিতামহ ! শূন্য হই আছে ব্রহ্মলোক।
থাকিবা কিমান দিন মর্ত্তাৰ কোলাত ?
সাৱিত্রী মাতৃয়ে মোৰ স্বামী বিৰহত
অতিশয় হইছে কাতৰা !
কোৱা প্রভু ! আদেশিছে জননীয়ে মোক।
ব্রহ্মা। শুনা বিষ্ণুদূত !
পৰিছে কামৰ অন্ত নাই আৰু বাকী।

নক্ষত্ৰ অনন্ত কোটি, গ্ৰহ উপগ্ৰহ,
শত শত চন্দ্ৰ-সূৰ্য্য কৰিছো নিৰ্ম্মাণ।
কোৱাচোন তুমিয়েই বাৰু
শূন্যৰ কোলাত থাকি আকাশীলোকৰ
পাৰিলোহেতেন জানো
সুকলমে সমাধিব এনে গুৰু কাম?
আগেয়ে বুজিব পাৰি সেই কথা মই
মৰতেতে স্বৰ্গপুৰী কৰিছোঁ ৰচনা।
শুনা,—গছে-গছে গায় বিহঙ্গমে
গুণ গুণ গাইছে ভোমোৰা
কুল কুল বইছে নিজৰা।
শৈলবালা পিন্ধি বনমালা
শোভা কৰে গিৰিপাদমূল,
লাখে লাখে ফুলে বনফুল।
ইয়াতেই বসন্তই মাধৱীক লই
ৰমিছে নতুন তেজে কাঢ়ি মন-প্ৰাণ।
নহলেনো বাৰু
যতে-ততে সন্তৰনে এনুৱা কৰম?
অনন্ত ব্ৰহ্মাণ্ড মোৰ জোন বেলি তৰা
ভাগে ভাগে ৰাখিছো সকলো।
যতে-ততে যেনে-তেনে দৰে
নহয় কদাপি চৰ্চ্চা জ্যোতিষ-শাস্ত্ৰৰ।

সেইগতিকেই হল
সৃষ্টি এই প্ৰাগজ্যোতিষৰ।
কবাগই প্ৰিয়তমা সাৱিত্ৰীক মোৰ
যাম মই মৰ্ত্ত্য এৰি দুই এদিনতে।
শিৱদূত! কোৱা এবে বক্তব্য তোমাৰ।

শিৱদূত। পিতামহ! নতুন সৃষ্টিৰ তব
হৰ্ম্ম্যময়ী ৰম্যপুৰী প্ৰাগজ্যোতিষত
কৈলাসপতিয়ে মোৰ উমা গোসানীৰে
চিৰকাল কৰিব বিহাৰ
এয়ে মোৰ নিবেদন জনাবলগীয়া।

বিষ্ণুদূত। মোৰো আছে তেনে নিবেদন!
ত্যজিব বৈকুণ্ঠধাম লক্ষ্মী-নাৰায়ণে
হৰিষেৰে লব ঠাই প্ৰাগজ্যোতিষত।
ইন্দ্ৰই শচীৰ স'তে
আৰু যত গন্ধৰ্ব্ব কিন্নৰে
নিজ নিজ প্ৰেয়সীক লই
কৰিবহি উপভোগ প্ৰাগজ্যোতিষত
প্ৰকৃতিৰ অমিয়ামাধুৰী।

ব্ৰহ্মা। পৰম সৌভাগ্য মোৰ মধুৰ প্ৰস্তাৱ।
অতি যতনেৰে সজা আলফুল কই
এই মোৰ প্ৰিয়স্থান প্ৰাগজ্যোতিষত
দেৱতাৰ পদৰজ পৰিব নিতউ।

ইয়াতেই থাকি নাৰায়ণে
বিশ্বজগতক নিতে কৰিব পালন।
অচলাই নিছলাক
কৃপাৰ চকুৰে চাব থাকি চিৰকাল।
আই মাতৃ অন্নপূৰ্ণা বিহৰি ইয়াতে
ঘৰে ঘৰে দিব অন্নজল
ভৈৰৱৰ হব প্ৰিয়-স্থল।
কমলা বিমলা আৰু সুজলা সুফলা
শস্য-শ্যামলা হব মোৰ প্ৰাগজ্যোতিষ।
চোৱা বিষ্ণুদূত! চোৱা শিৱদূত!
এই স্থান পৃথিবীৰ শিৰৰ মুকুট।
আছে যদি বিষ্ণু মহেশ্বৰ
দেৱতা তেত্ৰিশ কোটি দশ দিকপাল
ৰূপতে ৰহণ মোৰ চৰিব সৃষ্টিৰ।
যোৱা তোমালোক
কৰাগই ভাঙি-পাতি সকলো কথাকে
জনাবা লগতে আৰু ব্ৰহ্মাৰ সন্তোষ।
যাওঁ মই প্ৰাতঃস্নান হেতু
পুনু আহি লাগিম কামত।

বিষ্ণুদূত। যিবা আজ্ঞা তুলি ললো উভয়ে শিৰত

(এফালে ব্ৰহ্মা আৰু আনফালে দুই দূতৰ প্ৰস্থান।)

বাল্মীকি-নাৰদ সংবাদ

ঠাই—তমসা তীৰ

[অকলৈ মহৰ্ষি বাল্মীকি ।]

বাল্মীকি । "মা নিষাদ প্ৰতিষ্ঠাং ত্বমগমঃ শাশ্বতী সমাঃ
যৎ ক্ৰৌঞ্চমিথুনাদেকমবধীঃ কাম মোহিতম্ ॥"
অকস্মাতে-আচম্বিতে
নৱ ছন্দ জাগিল কণ্ঠত ।
ঋষি মই—সংসাৰ উদাসী
স্ৰোতস্বিনী তমসা তীৰত
অকলই—আপোন ভাবত
মহাৰঙে কৰোতে বিহাৰ
দৈৱযোগে এফাকি কবিতা
কোন দেৱতাই বাৰু দিলে অৱদান ?

[শূন্য মাৰ্গত দেৱৰ্ষিৰ বীণা ধ্বনি ।]

সৌৱা, পশ্চিমত বেলি মাৰ যায়
দৃশ্য কি সুন্দৰ ।

তাৰ লগে লগে
উজ্জ্বলাই দ্যুলোক ভূলোক
কোন আহে বীণা বাই বাই ।

[নাৰদৰ প্ৰবেশ ।]

অ' দেৱৰ্ষি নাৰদ !
নমস্কাৰ—নমস্কাৰ দেৱৰ্ষি নাৰদ !

নাৰদ । নমস্কাৰ—নমস্কাৰ মহৰ্ষি বাল্মীকি ।

বাল্মীকি । কিনো মহা দেৱকাৰ্য্য সাধনৰ হেতু
কোৱা দেৱ ! হল তৱ মৰ্ত্ত্য আগমন ?

নাৰদ । হে মহৰ্ষি !
কবিতাৰ উৎস হই মুখেদি তোমাৰ
জাগিছিল যিটি ছন্দ অলপ আগতে
সেই ছন্দ উৰ্দ্ধগামী হই
ভেদি গল ব্ৰহ্মলোক
পদ্মাসন লৰালে ব্ৰহ্মাৰ ।
সেইকাৰণেই তেওঁ আদেশিলে মোক
—যোৱা তুমি, তমসা তীৰত
বাণীৰ বিদ্যুৎ-দীপ্ত
বিদ্ধ হই ছন্দৰ বাণেৰে
আছে তাত মহৰ্ষি বাল্মীকি ।
সুধি আহা তুমি—কবা এই বুলি,
তেৰা ভাগ্যবান ।

ই মহা সঙ্গীত-ধন দিবা কাক দান ?
কোন দেৱতাৰ বাৰু যশৰ কাহিনী
নৱ ছন্দে গাথিবা শ্লোকত,
স্বৰগৰ অমৰক তুমি
দিবা দান অমৰত্ব মাটিৰ মৰ্ত্ত্যত ?

বাল্মীকি। হে দেৱৰ্ষি !
দেৱতাৰ সামগীতি
কৰে গান বিশ্ব চৰাচৰ
ভাষাশূন্য—অৰ্থহীন তাৰ।
অক্ষৌহিণী নক্ষত্র তাৰকা
অৰণ্যৰ বিহঙ্গ-পতঙ্গ
সকলোটি মিলি সমস্বৰে
সঙ্গীতৰ তৰঙ্গ-কল্লোল
ঢালি দিছে একেটি সোঁতত
বৈকুণ্ঠৰ শান্তি-সিন্ধু কৰিছে প্লাৱিত
কিন্তু—
অৰ্থবদ্ধ মানৱৰ ভাষা
ঘূৰিব লাগিছে মাথোঁ
মানুহৰে সীমাৰ মাজত।
অবিৰত ৰাতি-দিন
মানৱৰ প্ৰয়োজনতেই
প্ৰাণ তাৰ হই আছে ক্ষীণ।

হে দেৱৰ্ষি !
মানৱৰ সেই দীৰ্ণ জীৰ্ণ বাক্যতেই
মোৰ এই ছন্দে বান্ধি দিব নবসুৰ
মুক্ত কৰি অৰ্থৰ বন্ধন
'ভাবৰ স্বাধীন লোক কৰি অন্বেষণ
লই তাক যাব বহু দূৰ ।
সেই ছন্দ মোৰ
তুলি দিম অগ্নি সম বাক্যৰ ৰথত
চলি যাব পাৰ হই
মৰ্ত্ত্য-সীমা অবাধে সাঁতুৰি
পৃথিবীৰ গুৰুভাৰ নিব উৰ্দ্ধলই ।
কৰিব নিৰ্ম্মাণ—
কথাৰ—ভাবৰ স্বৰ্গ
মানৱৰ মহা পীঠস্থান ।

নাৰদ । তপোধন !
সেই কথা অবিদিত নোহে দেৱতাৰ
আৰু মাথোঁ। সেইকাৰণেই
কণ্ঠত থিতাপি হই বাণী বীণাপাণি
আশীৰ্ব্বাদ কৰিছে তোমাক ।

বাল্মী । আৰু শুনা—
যিবা দৰে মহাসিন্ধু নীল জলধিয়ে
ধ্বনিহীন স্তব্ধ ধৰণীক

অন্তহীন নৃত্যগীত তৰঙ্গ বিভঙ্গে
চতুৰ্দ্দিকে কৰিছে বন্ধন,
সেইদৰে মোৰো ছন্দে
ভাষাক সাৰটি ধৰি কৰি আলিঙ্গন
গাব দিক-দিগন্তৰ ভেদি
মানৱ-বন্দন।
গাব মহামানৱৰ মহাস্তবগান,
ক্ষণস্থায়ী মনুষ্য জন্মত
কৰিব ছন্দই মোৰ
মহৎ মৰ্য্যাদা দান।

নাৰদ। আৰু সেই ছন্দ-কবিতাৰে
স্বৰগ মৰত হব সমানে যশস্বী।

বাল্মী। হে দেৱৰ্ষি!
তুমি দেৱদূত
আহিছা ভাগ্যেৰে মোৰ হই অনাহূত
নিবেদিবা পিতামহ পদুম পাৱত—
লভিলে মৰ্ত্ত্যই আজি স্বৰগৰপৰা
অতুলন যিটি মহাধন
তাক যেন পুনৰায় নিনিয়ে ঘূৰাই।
দেৱতাৰ স্তৱ-গীতে
মনুষ্যত্ব দেৱক প্ৰদানে,
কিন্তু হে দেৱৰ্ষি!

তুলিব দেৱতা কৰি
মানৱকে মোৰ ছন্দ-গানে ।
ভগৱন !
ত্ৰিভুৱন কৰিছা ভ্ৰমণ
কোৱা এবে মোক
অমৰ ছন্দত তয়ু বাজে কাৰ নাম
কোন তেনে আছে গুণধাম ?
কোৱা মোক
বীৰ্য্য কাৰ কৰা নাই ক্ষমা অতিক্ৰম
কাৰ চৰিত্ৰত আছে
সুকঠিন ধৰ্ম্মৰ নিয়ম ?
কোন সি সুন্দৰকান্তি যাৰ পদতলে
মহান ঐশ্বৰ্য্য নম্ৰ
মহাদৈন্যে কাক বাৰু পৰা নাই বলে ?
সম্পদক ভয় কৰে কোনে
বিপদত পৰম নিৰ্ভীক,
কোনে পালে সৱাতোকে বেছি
কোনে দিলে সৱাতো অধিক ?
কোনে ললে শিৰ পাতি ত্যাগৰ মুকুট
সবিনয়ে সগৌৰৱে
জগতৰ দুখ-দৈন্য নিজৰ বুকুত ?
কোৱা মোক,

সৰ্ব্বদৰ্শন হে দেৱৰ্ষি !
কোন সেই জন
কোৱা কোৱা সেই পুণ্য নাম—
ন্যাৰদ। শুনা হে মহৰ্ষি ।
সেইজনে অযোধ্যাৰ ৰঘুপতি ৰাম ।
বাল্মী। জানো মই—জানো সিজনাক
সিজনাৰ কীৰ্ত্তি-কথা পৰিছে কাণত
তথাপি—তথাপি ঋষি !
সমগ্ৰ বাৰতা—সকলো ঘটনা
এতিয়াও ৰইছে অজানা ;
কিনোদৰে ইতিবৃত্ত কৰিম ৰচনা ?
ভয় হয় মনে মনে—হম সত্যভ্ৰষ্ট
মোৰ কবিতাৰ দ্বাৰা
মৰতত—বাণী-মন্দিৰত
ৰূপে-ৰসে হই জাতিস্কাৰ
ভাব-ভাষা-ছন্দ-গান হব মূৰ্ত্তিমান
হব জানো বাল্মীকিৰ জয় অভিযান ?
নাৰদ। হে মহৰ্ষি !
নকৰিবা ভয় অকাৰণ ।
সেয়ে সত্য—যিবা তুমি কৰিবা ৰচনা
নহয় সকলো সত্য ঘটে যি ঘটনা ।

শুনা কবি তুমি,
ৰামৰ জনমস্থান তব মনোভূমি
তাতকই বেছি সত্য নহয় অযোধ্যা।
বিদায় দিয়া, বিদায় দিয়া এবে
আদিকবি মহাকবি মহৰ্ষি বাল্মীকি!
নমস্কাৰ—নমস্কাৰ।

বাল্মী। নমস্কাৰ—নমস্কাৰ।

[দুয়োৰো দুফালে প্ৰস্থান]

হোলি

গোপী

ফাকুৰ পানী গাত ঢালি
কৰিম ৰঙা বনমালী !
মনৰ হেপাহ পলুৱাম আজি আমি ব্ৰজবালা,
বংশী এৰা বংশীধাৰী !
লোৱা এটা পিচকাৰি
দিয়া ৰণ, মদন মোহন !—ৰঙৰ খেলা, ৰসৰ মেলা !

আহা তেনে সৰে, সাজু মই
হাতে হাতে পিচকাৰি লই
জয়-পৰাজয় কৰো নিৰ্ণয়, ৰঙা বৰণেৰে—
ফাগুনৰ আকাশ ৰঙালী হব
পলাশ-মঁদাৰে লাজ পাব
ষোল হাজাৰে কি কৰিব ? মই অকলশৰে ।

গোপী

আহা, আহা, আহা মোহন নাগৰ
কৰো মনোহৰ লোহিত সাগৰ
শ্যাম তনুত ফাকুৰ ৰেণু সানো হেপাহেৰে
যমুনা জলত বহাগী ধলৰ
ৰঙা মনোহৰ তুলিম লহৰ
পিচকাৰি ভৰাই তোমাক বুৰাই চাও উলাহেৰে।

মই জানো সহি থাকিম বহি
ৰঙা পানী সানি ফাকু-গুৰি ঘঁহি
কলই পলোৱা অ' চন্দ্ৰাৱলী! বৃন্দা ললিতা বাই!
জেতুকীয়া গাল বোলাব ভাল
ৰঙা বিহাৰ উৰাম পাল
যোল হাজাৰ পাল উৰাই ফুৰিম খেলনাও বাই।

সকলোৱে

আজি হোলি ৰং ঢলাঢলি
ফাকু খেলি কৰো কোলাকুলি
নবহে ঘৰত মন বৃন্দাবনৰ নাচন চাই—
নিয়া নিয়া ৰং ফাঁকু-ধূলি-মাটি
দিয়া দিয়া ৰং, দিলো গা পাতি
আজি ফাকুৱা, আজি ফাকুৱা, উলাহে নধৰে ঠাই।

ভীষ্ম

দেৱব্ৰত

শুনা হেৰা দাসৰাজ! পিতা মোৰ শান্তনু নৃপতি,
হস্তিনাৰ মহাৰাজ—সিজনাৰে জনাও মিনতি।
ৰূপৱতী গুণৱতী সত্যৱতী জীয়ৰী তোমাৰ
হক মোৰ মাহী আই, অৰ্দ্ধাঙ্গিনী পিতৃ-দেৱতাৰ।
দিয়া ৰঙে অনুমতি হব বহু নিজৰ কল্যাণ,
পিতাৰ হাতত মোৰ কৰা তযু কন্যা সম্প্ৰদান।

দাসৰাজ

নিজে আহি শান্তনুৱে কৰি গল একে নিবেদন,
ধন্য হব পাৰো ময়ো কৰো যদি প্ৰাৰ্থনা পূৰণ।
ভাৰতৰ ৰাণী হব সত্যৱতী ধীবৰনন্দিনী,
নিবিচাৰো তেনে ৰাজ্য—সপোনতে ভুঞ্জিম মেদিনী।
বুঢ়া ৰজা শান্তনুৰ বিলাসৰ দাসী মাথোঁ হই
ৰাজৰাণী সত্যৱতী ভাৰতৰ ৰাজছত্ৰ লই
হব পাৰে সঁচা কথা—তুদিনৰ নিমিত্তে কেৱল.
মৰিব যেতিয়া ৰজা লগৰীয়া হব অশ্ৰুজল।

নাতিবিলাকেও মোৰ সিংহাসন কোনেও নেপাব,
ৰাজৰাণী ৰাজদাসী দুখতেই জীৱন যাপিব।
সেইকাৰণেই কওঁ—যুৱৰাজ! যোৱা তুমি শুচি
অপৱিত্ৰ ধীবৰক গঙ্গাজলে নকৰক শুচি।

দেৱব্ৰত

বুজিলো সকলো কথা—ময়ো কও শুনা দাসৰাজ!
চাপিছো তোমাৰ কাষ হস্তিনাৰ মই যুৱৰাজ।
কৰিলো প্ৰতিজ্ঞা আজি ওপৰৰ নীলাকাশ চাই
পূৰোৱা পিতাৰ আশা—সিংহাসন প্ৰয়োজন নাই।

আকাশবাণী

দীপ্ত তুমি গঙ্গাসুত! প্ৰতিজ্ঞাৰ অগ্নিপৰীক্ষাত
তৃপ্ত আমি দেৱবৃন্দ—পুস্পবৃষ্টি কৰিছো তোমাত।
অতুলন পিতৃভক্তি, স্বাৰ্থত্যাগ গতিকে মহান
আজি হন্তে ভীষ্ম নাম—দেৱব্ৰত, দেৱতাৰ দান।

একলব্য

একলব্যৰ অস্ত্রপূজা। ধেনুশৰ আদি বিবিধ অস্ত্র, ফুল চন্দন ধূপ ধুনা আদি পূজাৰ উপকৰণ—আগত দ্রোণাচাৰ্য্যৰ প্রতিমা।

একলব্য

দিনৰ পিছত দিন পাৰ হই যায়—
নীৰলে কৰিছো শিক্ষা ভাবি-গুণি চাই।
নিদিলা যদিও দীক্ষা তুমি গুৰুদেৱ!
তোমাৰ মূৰ্ত্তিকে মই কৰো শত সেৱ।
তোমাৰ মূৰ্ত্তিয়ে মোক দানিছে প্রেৰণা
সেয়েই কৰিব মোৰ সফল সাধনা।
কল্পনাতে গুৰু তুমি হোৱা মূৰ্ত্তিমান—
লোৱা এবে প্রণিপাত, তোলো ধনুৰ্ব্বাণ।

[দূৰৈত কুকুৰৰ ভুকভুকনি]

ইকি! শুনো ওচৰতে কাৰ কণ্ঠধ্বনি?
অবোধ কুকুৰে ভুকি জন্মায় বিঘিনি।
চিন্তা নাই সেইবাবে ললো এই শৰ
পলকতে কণ্ঠৰোধ হক কুকুৰৰ।

[শৰ নিক্ষেপ]

এই বাৰ এক ধ্যানে কৰিম পৰীক্ষা
লক্ষ্যভেদ লক্ষ্যছেদ হল কেনে শিক্ষা।

[শৰশিক্ষা দ্ৰোনাচাৰ্য্যৰ প্ৰবেশ ।]

দ্ৰোণ

কোন তুমি বনবাসী ঋষিৰ কুমাৰ,
কোৰা কিনো প্ৰয়োজন অস্ত্ৰ চালনাৰ ?
জনপ্ৰাণীহীন এই গহীন বনত
কৰিছা কিহৰ ধ্যান সঙ্কল্প মনত ?

একলব্য

একলব্য নাম মোৰ নিষাদনন্দন
জগতৰ নিন্দনীয়—ঘৃণিত জীৱন !
নাই একো প্ৰয়োজন—নাই অধিকাৰ
ক্ষত্ৰিয়ৰ বৃত্তি এই অস্ত্ৰ চালনাৰ ।
তথাপি তুলিছো অস্ত্ৰ তীক্ষ্ণ ধনুশৰ
আহ্বানিম জগতৰ যত ধনুৰ্দ্ধৰ ।
অস্ত্ৰৰ মুখেদি মোৰ দিম পৰিচয়
সাধনাত সিদ্ধিলাভ কিবা দৰে হয় ।
জন্মিছো যদিও মই লই নীচ কুল
নলও সহজে মনি বিধাতাৰ ভুল ।

দ্ৰোণ

লভিলো সন্তোষ অতি কথাত তোমাৰ,
কাৰ্য্যত চিনাকি পালো বাটিত্তে ইয়াৰ ।
তোমাৰ এপাট শৰে কুকুৰৰ মুখ,
ৰাখিছে কৌশলে শালি দিয়া নাই দুখ ।

কোনে দিলে এই শিক্ষা অতিকে অতুল,
কাক তুমি পূজা দিছা লই ভক্তি-ফুল ?

একলব্য

গুৰু মোৰ দ্ৰোণাচাৰ্য্য জগৎবৰেণ্য
যাৰ মূৰ্ত্তি কৰি ধ্যান হওঁ শতধন্য।
সিজনাৰে আশীৰ্ব্বাদ অনুগ্ৰহ লই
শিকিছো সামান্য বিদ্যা অৰণ্যতে ৰই।
সন্মুখত সিজনাৰে ৰাখিছো প্ৰতিমা,
শৰৰ কৌশল মোৰ গুৰুৰ মহিমা।

দ্ৰোণ

তোমাৰ নিচিনা লভি শিষ্য যোগ্যতম
দ্ৰোণাচাৰ্য্যে লভে আজি আনন্দ পৰম।
চোৱা তেন্তে সম্মুখত কোন এবে মই
তোমাৰ আৰাধ্য গুৰু হয়নে নহয় ?

একলব্য

মহান সৌভাগ্য মোৰ সাৰ্থক জীৱন
সোশৰীৰে গুৰুদেৱে দিলে দৰিশন।
আছিল ইমান পৰে প্ৰতিমাত মন
নাছিলো সিবাবে চিনা মই অকিঞ্চন।
লোৱা গুৰু নিঘিণাই ভক্তিৰ শৰাই—
অযোগ্য নিঃকিন শিষ্য, মোৰ একো নাই।

দ্ৰোণ

পৰম সন্তুষ্ট মই—লভিলো তৃপিতি,
দৃঢ় হক, দীপ্ত হক, হিয়াত ভকতি।
কিন্তু হে বৎস! শুনা—কৰা অৱধান
কেনে তয়ু গুৰুভক্তি লাগিব প্ৰমাণ।
গুৰু মানি মোক তুমি কৰিলা ভজনা,
দিবা নে নিদিয়া এবে গুৰুৰ দক্ষিণা?

একলব্য

অস্পৃশ্য নিঃকিন মই, অতি দীনহীন
মাৰ যাব আজি তাৰ সমূলঞ্চে চিন।
গুৰুক দক্ষিণা দিম নিজ হাতে তুলি
বুটলি চৰণ ধূলি জয় গুৰু বুলি।
কোৱা গুৰু! কি দক্ষিণা দিব পাৰো দান
যাক লই দিবা মোক চৰণত স্থান?

দ্ৰোণ

বুঢ়া আঙুলিটো কাটি দিয়া সোঁহাতৰ
তাকে পালে হব মোৰ সন্তোষ মনৰ।

একলব্য

ইযে অদ্ভুৎ দক্ষিণা! সত্য নে ছলনা
কিনো হেতু এই দান কৰিলা কামনা?

দ্ৰোণ

নহয় ছলনা বৎস, লাগে মোক দান
দ্ৰোণাচাৰ্য্য শিষ্য তুমি দেখুৱা প্ৰমাণ।

একলব্য

তাৰ পৰা কিবা লাভ ভাবিছানে নাই
লোৱা গুৰু! আন দান মূল্যবান চাই।
অনুমতি দিয়া মাথোঁ লওঁ ধনুৰ্ব্বাণ
সসাগৰা বসুন্ধৰা কৰো খানখান।
পলকতে জিনি আনি অলকাৰ ধন
দুটি চৰণত তয়ু কৰো নিবেদন।

দ্ৰোণ

হাতৰ আঙুলি এটি খুজিছো দক্ষিণা
ইচ্ছা আছে যদি তুমি পূৰোৱা প্ৰাৰ্থনা।

একলব্য

(স্বগত) বুজিলো এতিয়া তেনে ভ্ৰান্তি হল দূৰ,
আহিছা কৰিব আজি মোৰ দৰ্পচুৰ।
নেথাকে আঙুলি যদি অস্ত্ৰ-সংযোজক
সকলো শিক্ষাই মোৰ হব অসাৰ্থক।
কিজানিবা ভাৰতত ঘটায় প্ৰমাদ
পঙ্গু হয় বক সেয়ে নিঃকিন নিষাদ।

দ্ৰোণ

কি ভাবিছা মনে মনে কঁপিছা ভয়ত,
অৱাবতে ধেনুশৰ তুলিছা হাতত।
নিদিয়া যদিহে দান দিয়া তাকে কই,
দক্ষিণা ভীৰুৰ পৰা নিবিচাৰো মই!

একলব্য

ক্ষান্ত হোৱা গুৰুদেৱ! কৰিছো মিনতি—
কওঁ মই স্পষ্ট কথা জনাই প্ৰণতি।
গুৰু তুমি কৌৰৱৰ—পঞ্চ পাণ্ডৱৰ,
গুৰু তুমি ক্ষত্ৰিয়ৰ—আৰ্য্য ভাৰতৰ।
আৰু এই দীনহীন নিষাদনন্দন
যদিও তোমাক গুৰু কৰিছে বৰণ,
অনাৰ্য্যৰ—অস্পৃশ্যৰ এনে স্পৰ্দ্ধা দেখি
আহিছা হৰিব শক্তি, দিবা শাস্তি লেখি।
এনে স্বাৰ্থপৰতাৰ দেখি অভিনয়
কঁপিছে লাজতে মোৰ হিয়া-হিমালয়।
এনে দৰে মোক আজি তল কৰি থই
কৰিবা গৌৰৱ তুমি শিষ্যবৃন্দ লই।
কৌৰৱৰ পাণ্ডৱৰ বঢ়াবা যশস্যা
অৰণ্যতে হব মোৰ সমাধি তপস্যা।
সেয়ে হক—তাকে দিম—তৃপ্ত হোৱা গুৰু!
নিষাদনন্দন নোহে বীৰ্য্যহীন ভীৰু।

[হাতৰ বুঢ়াআঙুলি কাটি]
এই লোৱা দিলো কাটি আঙুলি হাতৰ
আৰু লোৱা ভক্তিঅৰ্ঘ্য তপত তেজৰ ।

দ্ৰোণ

প্ৰিয় শিষ্য ধনঞ্জয় ! চোৱাহি এবাৰ
কি যে এই দীপ্তিমান নিষাদকুমাৰ ।
লাজতে যদিও মোৰ অৱনত শিৰ,
দীপ্ত হোৱা একলব্য ! তুমি মহাবীৰ ।
স্বীকাৰ কৰিলো মই মোৰ হীন স্বাৰ্থ,
তোমাৰ আগত মোৰ কপটতা ব্যৰ্থ ।
ধন্য তেজ, ধন্য শক্তি, ধন্য এই ত্যাগ,
মৰিও অমৰ হোৱা কৰো আশীৰ্ব্বাদ ।

আঁৰ-কাপোৰ



দাতা কৰ্ণ

অঙ্গৰাজ্য—ৰাজঅন্তেসপুৰ

[চিন্তামগ্ন কৰ্ণ]

কৰ্ণ। মিছাতে লভিলো মই মানৱী জনম
ভাগ্যলক্ষ্মী মোৰ প্ৰতি সদায় বিমুখ।
হীন সুতপুত্ৰ বুলি ঘিণৰ চকুৰে
চায় মোক গোটেই জগতে।
আৰু হায়!
প্ৰৱঞ্চনা কৰা হেতু শিক্ষাৰ কাৰণে
জন্ম নলভিলো বুলি ব্ৰাহ্মণ কুলত
ঘোৰ গুৰু অভিশাপ মিলিল ভাগ্যত।
নৃপতি নোহোৱা বাবে
অস্ত্ৰ পৰীক্ষাত মই নেপালো সুযোগ।
মহামতি দুৰ্য্যোধনে সেই মুহূৰ্ত্ততে
দিলে মোক অঙ্গ ৰাজ্য দান।
তাৰ পিছে পাঞ্চালত
তুলি ললো ধেনুশৰ লক্ষ্য ভেদো বুলি,
‘নীচ কুলোদ্ভৱ হীন কৰ্ণৰ ভিত্তিত

পাঞ্চালীৰ বৰমাল্য নকৰে শোভন'
বজ্ৰাঘাত সম কৰি ঘোৰ উপহাস
অধোমুখ কৰি ৰল দ্ৰুপদদুহিতা।
এতিয়া আকউ পালো দুৰ্ঘোৰ কলঙ্ক—
'যুধিষ্ঠিৰ নৃপতিৰ ৰাজসূয় যজ্ঞ
সৱাৰে কাৰণে মুক্ত ধনৰ ভাণ্ডাৰ,
দাতা নাম লভিলে কৰ্ণই
মুক্তহস্তে দান কৰি পৰৰ ঐশ্বৰ্য্য।'
ধিক মোৰ জীৱনত, ধিক কৰ্ণ নাম!

বাহিৰত। কোন আছে ভিতৰত মাতক ওলাই।

কৰ্ণ। কোনে মাতে? কোন তুমি দুৱাৰত মোৰ?

বাহিৰত। অতিথি তোমাৰ মই ক্ষুধাৰ্ত্ত ব্ৰাহ্মণ।

কৰ্ণ। কৰযোৰে মাতিছে কৰ্ণই
আহা দেৱ নিৰ্ভয়েৰে ভিতৰ সোমাই।

ভক্তিভাৱে কৰো সেৱা
ব্ৰাহ্মণৰ চৰণ যুগল।

[লাখুটিত ভৰ দি বুঢ়া ব্ৰাহ্মণবেশী শ্ৰীকৃষ্ণৰ প্ৰৱেশ।]

ব্ৰাহ্মণ। আহিছো নৃপতি মই—অৱশ শৰীৰ।

কৰ্ণ। আনা পদ্মা! কোষা-অৰ্ঘা পূজাৰ সামগ্ৰী।
অৰ্ঘ্য দানে ব্ৰাহ্মণৰ পাদোদক লই
ধন্য কৰো শিৰ দুজনৰ।
বহা দেৱ, পতা আছে সোণৰ আসন।

[ব্রাহ্মণ বহে। পদ্মাই কোষা-অৰ্ঘা আনি দিয়ে।
কর্ণই পূজা কৰে।]

ব্রাহ্মণ। অতিকে সন্তোষ পালো পূজাত তোমাৰ।
কিন্তু ৰজা, দুপৰৰ অতিথি ব্রাহ্মণ
সম্প্রতি হইছো মই ক্ষুধাত কাতৰ।
নোৱাৰা কৰিব যদি ক্ষুধা নিবাৰণ
মৃত্যু মোৰ জানিবা ধ্ৰুপ
ব্ৰহ্মহত্যা হব এই
কাৰেঙৰ মাজ মজিয়াত।

কর্ণ। পৰম সৌভাগ্য মোৰ তেন্তে আজি দেৱ।
নিবাৰিম ব্রাহ্মণৰ ক্ষুধা
অতিথিৰ যথাযোগ্য কৰিম শুশ্রূষা।
নাই মোৰ একোৰে অভাৱ
অনুগ্রহ কৰি মাথোঁ তুমি
অনুমতি দিয়া এই দাসক তোমাৰ।
নিবেদিম শ্রীচৰণত
দধি দুগ্ধ ঘৃত আৰু মিষ্ট পৰমাণ
ৰাজভোগ্য সুখাদ্য আহাৰ।

ব্রাহ্মণ। নৰপতি।
লভিছো সন্তোষ মই কথাত তোমাৰ।
দিয়া যদি নৰমাংস ভোজনত মোৰ
তেতিয়াহে কৰিম আহাৰ।

কৰ্ণ। কিহেতু চলনা দেৱ ! অধম দাসক ?
নৰমাংস ব্ৰাহ্মণৰ খাদ্য ?
অসম্ভৱ—নহয় বিশ্বাস।

ব্ৰাহ্মণ। জাতিত ব্ৰাহ্মণ মই
মিছা কথা কদাপি নকওঁ।
সোণকালে ভোজনৰ যোগ্য আয়োজন
কৰা ৰজা, কণ্ঠাগত প্ৰাণ।

কৰ্ণ। পঠা খাহী পহু আদি খাদ্য মানৱৰ
যিবা হয় অভিৰুচি কৰাম ভোজন
লাগে মাথোঁ আদেশ তোমাৰ।

ব্ৰাহ্মণ। একমাত্ৰ নৰমাংস ভক্ষ আজি মোৰ।
যদিহে নোৱাৰা দিব কোৱা স্পষ্ট কৰি
চলনাৰ নাই প্ৰয়োজন।

কৰ্ণ। ৰোৱা এক্ষন্তেক দেৱ ! ধৰো চৰণত।
নকৰা, নকৰা ক্ৰোধ দিম নৰমাংস।
লগাম সেৱাত তযু নিজৰ মঙহ
নিজ হাতে কৰি শিৰচ্ছেদ।

ব্ৰাহ্মণ। আত্মহত্যা মহাপাপ শাস্ত্ৰৰ বচন।
তদুপৰি ৰজা !
তুমিয়ে লাগিব এই অতিথি শুধিব।
মোৰ অভিলাষ—

বৃষকেতু সুকুমাৰ নন্দন তোমাৰ
কোমল মঙহে তাৰ দিব মোক তৃপ্তি ।

পদ্মা । কোন সতে অতিথি ঠাকুৰ!
কোৱা তুমি এনে হেন নিদাৰুণ কথা ?

ব্রাহ্মণ । বৃষকেতু মঙহেৰে কৰোৱা ভোজন
আছে দান—নাই সমিধান ?

পদ্মা । খাটিছো ভৰিত ধৰি অতিথি ঠাকুৰ!
বৃষকেতু থাকক জীয়াই ।
হয় যদি সন্তোষ তোমাৰ
স্বামী ভাৰ্য্যা দুজনৰ আমি
খাবা মাংস হেপাহ পূৰাই ।

কৰ্ণ । ক্ষান্ত হোৱা পদ্মা !
তুলিয়াবা চকুপানী—ধৰ্ম্মৰ দোহাই !
পুত্ৰস্নেহ সমূলঞে দিয়া বিসৰ্জ্জন
নকৰিবা প্ৰতিবাদ তুমি,
ব্রাহ্মণৰ অভিলাষ কৰিম পূৰণ ।

ব্রাহ্মণ । শুনা মোৰ আছে আৰু একেষাৰ বাণী—
হাঁহিমুখে পিতৃমাতৃ দুয়ো জনে ধৰি
কৰতেৰে ৰেপি ৰেপি কাটিব লাগিব ।
জননীয়ে ৰান্ধি দিব পুত্ৰৰ মঙহ
আনন্দ চিত্তেৰে মই কৰিম ভোজন ।

কৰ্ণ । যোৱা পদ্মা । লই আহা পুত্ৰক তোমাৰ

আনিবা লগতে আৰু কৰত এখন।

(পদ্মা ভিতৰ সোমাই যায়।)

কৰ্ণ। দেৱ! অচিৰতে পূৰ্ণ তযু হব মনস্কাম

পুত্ৰহন্তা হয়ো আজি সেৱিম তোমাক।

ব্ৰাহ্মণ। মুখেৰে নোলায় মাত বুঢ়া বামুণৰ

পিশাচী ক্ষুধাই দেহা কৰিছে অস্থিৰ।

অতি শীঘ্ৰে নৰপতি! কৰা আয়োজন।

(বৃষকেতু আৰু পদ্মাৱতী সোমাই আহে।)

বৃষ! কিয় মোক মাতিলা দেউতা!

কোৱা শীঘ্ৰে, কি আদেশ কৰিম পালন?

কৰ্ণ। ঈশ্বৰক চিন্তা কৰ সাদৰী সোণাই,

অন্তিম মুহূৰ্ত্ত তোৰ চাপিছে ওচৰ।

বৃষ। অন্তিম মুহূৰ্ত্ত মোৰ?

কোনে মোক কৰিব সংহাৰ?

কাৰো মই কৰা নাই একো অপৰাধ।

পদ্মা কৰিলি যি অপৰাধ

গৰ্ভত থিতাপি হই দুখুনী পদ্মাৰ

তাৰে মহাশাস্তি সোণ, লাগিব ভুগিব।

কৰ্ণ। বিহ্বলা নহবা পদ্মা অপত্য স্নেহত।

মনত ৰাখিবা—তুমি কৰ্ণৰ গৃহিনী।

ভাগ্যৰ বলত কিবা ক্ষুধাৰ্ত্ত ব্ৰাহ্মণ

হইছেহি অতিথি আমাৰ

নোৱাৰা কৰিব তুমি অতিথি বিমুখ ।
বৃষকেতু সোণ! বংশৰ প্ৰদীপ মোৰ!
পিতৃমাতৃ দুয়ো আজি হন্তা হই তোৰ
অতিথিক কৰিম শুশ্ৰূষা ।

বৃষ । বৃষকেতু আজি তেন্তে বৰ ভাগ্যৱান
মানৱী জনম তাৰ নিশ্চয় সাৰ্থক ।
নকৰা বেজাৰ আই!
আজি মোৰ জীৱনৰ সৰ্ব্বশ্ৰেষ্ঠ দিন ।
শুনো মই মাটিতে দেউতা,
দয়াল হৰিৰ নাম
চকু মুদি কৰো উচ্চাৰণ
কৰা সেই সময়তে কাৰ্য্য সমাপন ।

কৰ্ণ । ধৰা পদ্মা ভাল কৰি ভৰি দুখনত,
মই ধৰি মূৰটোত অতি সাৱধানে
কৰ্ত্তব্য সুৱৰি দিওঁ কৰতৰ ৰেপ ।

ব্ৰাহ্মণ । কিন্তু সাৱধান,
গুলায় চকুলো যদি কোনো এজনৰ
ব্যৰ্থ হব আয়োজন
যাম মই তুৰন্তে আঁতৰি ।

কৰ্ণ । শুনিছা নহয় প্ৰিয়া, বুজিছা সকলো
নোলায় কদাপি যেন এটুপি চকুলো
স্বৰ্গ যদি সঁচা হয়

আৰু যদি আছে পৰকাল
পিতা-মাতা-পুত্ৰ আমি
তুনাই এদিন হব সৱাৰে মিলন।

[কৰ্ণই কৰতেৰে ৰেপি ৰেপি বৃষকেতুক কাটে। পদ্মাই ভৰিৰ ফালে ধৰে। বিষাদৰ সুৰ।]

ব্ৰাহ্মণ। ধন্য তোমালোক। হইছে মনত মোৰ
নিবাৰি দাৰুণ ক্ষুধা পাম মহাতৃপ্তি।

* * * *

ৰন্ধনশালা

[কৰ্ণ আৰু ব্ৰাহ্মণ।]

ব্ৰাহ্মণ। অকলে নেখাও মই
লাগিব লগতে খাব তুমিও নৃপতি।

কৰ্ণ। মোৰ বাক্ পিছে হব।
তুমিয়েই দেৱ,
আগতে ভোজন কৰি কৰা তৃপ্তিলাভ।

ব্ৰাহ্মণ। কদাপি নোৱাৰে হব তেনে কথা ৰজা।
ভাবিছা হবলা তুমি ৰাক্ষস ব্ৰাহ্মণ
নৰমাংস অকলই কৰাবা ভোজন।
যদিহে নোখোৱা তুমি একে শাৰীতেই
উঠি গুচি যাম মই নকৰো ভোজন।
অতিথি বিমুখ কৰা পাতকৰ ভাৰ

লবা নিজ কৰ্ম্মফল হেতু ।
নতু বজ্রা ! মোৰ লগতেই
তুমিও লাগিব হব ৰাক্ষসপ্ৰধান ।
কৰ্ণ। সেয়ে হক দেৱ !
ব্ৰাহ্মণৰ তৃপ্তিৰ কাৰণে
পুত্ৰৰ মঙহে৷ আজি ভক্ষিব জনকে ।
পদ্মা ! আনা ভাত তুখন কাঁহীত ।
ব্ৰাহ্মণ। তুখনতে নহব কেৱল
বাঢ়ি আনা তিনি কাঁহী ভাত ।
কৰ্ণ। কিয় লাগে তিনি কাঁহী
তুখনেই হব দেখোঁ আমি তুজনৰ ?
ব্ৰাহ্মণ। আনাচোন তিনিখন বাৰু !
[পদ্মাই তিনিখন কাঁহীত ভাত সজাই আনে ।]
ব্ৰাহ্মণ। মাতা এবে পুত্ৰক তোমাৰ ।
কৰ্ণ। ধেমালি কৰিছা কিয় নিঃকিনৰ সতে ?
নাই আৰু পৃথিবীত বৃষকেতু মোৰ ।
ব্ৰাহ্মণ। মাতি চোৱাচোন বাৰু,
কৰিৰ মোৰ আদেশ পালন ।
কৰ্ণ। নুবুজো কথাৰ অৰ্থ—পালিম আদেশ ।
বৃষকেতু ! বৃষকেতু !!
[বৃষকেতু লৰি সোমাই আহে ।]
বৃষ। দেউতা ! দেউতা ! কেলেই মাতিলা মোক ?

পদ্মা। কৰ পৰা আহিলি সোণাই ?
চাপি আহ বুকুলই মোৰ।
বৃষ। আই! আনন্দত আপোনপাহৰি
ঘিলা খেলি আছিলো দূৰত,
দেউতাই মতা শুনি আহিছো লৰৰি।
কৰ্ণ। হে ব্ৰাহ্মণ!
কি খেলা খেলিছা তুমি প্ৰহেলিকাময়
ভাগ্যহীন কৰ্ণৰ লগত ?
নোহোৱা কদাপি তুমি সামান্য ব্ৰাহ্মণ।
বৃষকেতু! পদ্মা! আহা আগবাঢ়ি
আনন্দৰ চকুৰ পানীৰে
ধৌত কৰি ব্ৰাহ্মণৰ চৰণ যুগল
ধন্য হও তিনি জনে আমি।

[তিনিও জনে ব্ৰাহ্মণৰ ভৰিত ধৰি সেৱা কৰে।
ছদ্মবেশী শ্ৰীকৃষ্ণৰ নিজ মূৰ্ত্তি প্ৰকাশ।]

শ্ৰীকৃষ্ণ। উঠা কৰ্ণ! উঠা সতী পদ্মাৱতী!
উঠা বৃষকেতু! কৰিলো পৰীক্ষা মই।
চোৱা, চোৱা, আকাশৰ দেৱতা-কিন্নৰে
পাৰিজাত বৃষ্টি কৰে ওপৰৰ পৰা।
ৰুণু ঝুনু অপ্সৰাৰ শুনা নৃত্যধ্বনি
বাজি উঠে শত শত বিজয় দুন্দুভি।

কৰ্ণ। প্ৰভু! ভাগ্যহীন কৰ্ণৰ ভাগ্যত আজি
পৰিছে কি অভিনৱ সোণোৱালি ৰেখ?
অধমৰ কুটিৰত নিজে ভগৱানে
কিনো মোৰ পুণ্যফলে দিলে পদধূলা?
শ্ৰীকৃষ্ণ। শুনা কৰ্ণ! তুমি মোৰ ভক্ত শিৰোমণি।
মূৰ্ত্তিমন্ত ভগৱন্ত সত্য সনাতন
দৰিদ্ৰৰ অন্তৰত পাৰিছা চিনিব
সেৱাব্ৰত দিব্য চকু পিন্ধি যতনেৰে।
সেয়েহে ৰাখিছে বান্ধি তোমাৰ লগত
মৰমৰ এনা ডোলে চকুৰে নেদেখা।
যদিও কৰিলো চল তথাপি যথাৰ্থ
হইছোঁহি কৃষ্ণ আজি অতিথি তোমাৰ
কৰ্ণ। প্ৰভু! প্ৰভু! ইমান দয়ালু তুমি?
পিয়ালাহি আচম্বিতে অধম কৰ্ণক
স্বৰগৰ প্ৰেম-সুধা মন্দাকিনী মউ।
কোনে কয় কৰ্ণ ভাগ্যহীন?
পদ্মা। তুমি হেন স্বামী পাই সাধনা ফলত
লাভ কৰি ভগৱান দুৱাৰ মুখত।
ময়ো আজি ধন্যা পদ্মাৱতী।
বৃষ। লাভ কৰি তোমা হেন জনক-জননী
ময়ো আজি মহা ভাগ্যবানী,
হৰিৰ ভৰিৰ ধূলি

হেপাহেৰে তুলিম শিৰত ।

শ্ৰীকৃষ্ণ । কৰ্ণৰ সমান দাতা নাই জগতত

ত্ৰেতাত আছিল যেনে ৰজা হৰিশ্চন্দ্ৰ ।

তোমাৰ নিচিনা কোনে পুত্ৰৰ মঙহ

দিব পাৰে অতিথিৰ ৰাক্ষস-ভোজত ?

তুমি আজি অসম্ভৱ কৰিলা সম্ভৱ

দেখুৱালা জগতক ত্যাগৰ গৌৰৱ

দানৰ চূড়ান্ত আহি, পৱিত্ৰ অন্তৰ

তুষ্ট হল ভগৱান পূজাত তোমাৰ ।

সামান্য মানৱ তুমি কদাপি নোহোৱা

দাতা কৰ্ণ নামে মোৰ পৰম বৈষ্ণৱ ।

আজি হন্তে ভালদৰে সৱায়ে জানক

দৰিদ্ৰ পূজাত তুষ্ট নিজে ভগৱান ।

আঁৰ-কাপোৰ

ভানুমতী

ভানুমতী

কালিলই আৰম্ভণ কুৰুক্ষেত্ৰ ৰণ,
সমৱেত বীৰবৃন্দ হল অগণন।
তুমিও আহিছা পিতা, বীৰদৰ্পে সাজি
কুশল-কাহিনী মোক কোৱাচোন আজি।
আছেনে কুশলে বাক মাতৃদেৱী মোৰ
আছেনে সকলো ভালে ভাই-ভনীবোৰ ?
সৰগৰ পাৰিজাত মৰতত ফুলি
ৰজা, প্ৰজা সকলোৱে আছে জানো মিলি ?
সুজলা সুফলা মোৰ জন্ম দেশখনি
আছেনে আজিও হই সৌন্দৰ্য্যৰ ৰাণী ?
মহাবাহু লৌহিত্যৰ ৰূপোৱালি পাৰ
বাৰিষা নেদেখা হোৱা ইপাৰ সিপাৰ,
সোণৰ কলচি পিন্ধা অভ্ৰভেদী শিৰ
আছে জানো একে ভাবে কামাখ্যা দেৱীৰ ?
ভস্মাচল, সন্ধ্যাচল, চিত্ৰাচল আদি
আছেনে সকলো সেই দেৱতাৰ বেদী ?

বহুদিন দেখা নাই সেই পুণ্যপট
নেপাও বিচাৰি যাক হস্তিনাপুৰত।
আছেনে অতুল শোভা প্ৰাগজ্যোতিষৰ
কোৱা পিতা! সুসংবাদ ওপজা দেশৰ।

ভগদত্ত

স্নেহৰ জীয়ৰী মোৰ আই ভানুমতী,
ভাৰতৰ মহাৰাণী তই ভাগ্যৱতী।
মহানন্দে হস্তিনাৰ ৰাজকাৰেঙত
ৰঙেৰে নিয়াই দিন সুখ-সম্ভোগত
মনত ৰাখিছ তোৰ জন্মভূমিলই
শলাগিছো সেইবাবে আই তোক মই।
ধন্য মই ভগদত্ত, ধন্য দেশ মোৰ
(হক) মূৰৰ চুলিৰ মান পৰমায়ু তোৰ

ভানুমতী

সভক্তিৰে তুলি ললো আশীষ শিৰত
শুনা পিতা! কিবা গৰ্ব্ব ধৰিছো বুকত।
ক্ষত্ৰিয় জীয়ৰী মই ক্ষত্ৰিয় বোৱাৰী
দুই গালে আনন্দৰ চকুলো দুধাৰি।
স্বামী মোৰ মহাবীৰ পৃথিবী ভিতৰ
ভাৰতৰ অধিপতি ৰাজৰাজেশ্বৰ।

স্বামীৰ যশেৰে সঁচা যশস্বিনী মই
স্বদেশযশেৰে কিন্তু বেছি তাভোকই।
ভাৰতৰ মহাৰাণী হলো যদিবাও
প্ৰাগজ্যোতিষৰ কন্যা মই এতিয়াও ।
সেয়েহে গৌৰৱ মোৰ অধিক সন্মান
সিদেশৰ নৰপতি তুমি পুণ্যবান ।
শ্যামজেউতীয়া মোৰ হিৰন্ময় দেশ
স্বপ্নতো নেপাও ভাবি মহিমাৰ শেষ ।
বহল শ্যামল বক্ষ ৰমে দেৱবালা,
ব্ৰহ্মপুত্ৰ পদধৌত শোভে গিৰিমালা ।
কল্পনাৰ কাম্যভূমি কামৰূপা আই
শয়নে-সপোনে যাক পূজিছো সদায় ।
সুনীল আকাশ যাৰ তাৰকাৰে ভৰা
কোৱা পিতা! সিদেশৰ কুশল-বতৰা ।

ভগদত্ত

দেশত সৱাৰো ভাল, সন্তোষ মনত
বিৰাজিছে স্বাধীনতা কিৰীটি শিৰত ।
মাতৃ ভ্ৰাতৃ ভগিনীৰ সকলোৰে তোৰ
দিন যায় উলাহত সপোন বিভোৰ ।
ভাৰতৰ মহাৰণ—পালো নিমন্ত্ৰণ
গ'ৰৱে নাচিছে প্ৰাণ উল্লাসিত মন।

অক্ষৌহিনী সেনা মোৰ আহিছে লগত
কৰিব তাণ্ডৱ নৃত্য মৃত্যুৰ আগত ।
দেখুৱাব পৰাক্রম, শকতি নিজৰ
মৰিও ৰাখিব নাম প্রাগজ্যোতিষৰ ।

ভানুমতী

তাতকই আৰু কিনো লাগিছে গৌৰৱ
ৰাখিলা দেশৰ পিতা অতুল বৈভৱ ।
অষ্টাদশ অক্ষৌহিনী সেনাৰ মাজত
এক অক্ষৌহিনী সেনা তোমাৰ পাছত ।
বিপুল সাহায্য দিছা কৌৰৱক দান
পূর্ব্বপ্রান্ত ভাৰতৰ বঢ়াই সন্মান ।
উৰুৱাই গজধ্বজা দেশ-জননীৰ
আহিছে স্বদেশভক্ত কামৰূপী বীৰ ।
ভাৰতৰ সুসন্তান সৱাৰে মাজত
গৌৰৱৰ শ্রেষ্ঠ স্থান তোমাৰো ভাগত ।
মোৰ পিতৃ, মোৰ ভ্রাতৃ, মোৰ স্বদেশৰ
থাকিব অমৰ কীর্ত্তি যুগ-যুগান্তৰ ।
গুৰু দ্রোণ, বীৰ কর্ণ, ভীষ্ম পিতামহ
সৱাই গাইছে পিতা তোমাৰেই যহ
শুনি মোৰ আনন্দত ক্ষুদ্র হিয়াখনি
উঠিছে সঘনে নাচি হলো গৰৱিনী

কোৱা বাক পিতা মোক জয়লক্ষ্মী কাৰ
ধৰ্ম্মপুত্ৰ যুধিষ্ঠিৰ ৰখনে ইবাৰ ?

ভগদত্ত

যতে ধৰ্ম্ম ততে কৃষ্ণ, ততে হয় জয়
সঁচা বুলি এই কথা জানিছো নিশ্চয় ।
পাণ্ডৱ পক্ষত কৃষ্ণ দৈৱকীনন্দন
কৌৰৱৰ জয় হোৱা নেদেখো লক্ষণ ।
ধৰ্ম্মৰ বলত বলী বিজয়ী পাণ্ডৱ
তথাপিতো কৌৰৱৰ অমৰ গৌৰৱ ।

ভানুমতী

বুজা নাই কিনো অৰ্থ সংক্ষেপ কথাৰ
কিবা স্বাৰ্থ ব্যৰ্থতাৰ যোগাই সম্ভাৰ ?
কিয় বাক পিতা তুমি কৌৰৱ পক্ষত
উলাহেৰে যোগ দিলা কি ভাবি মনত ?
জানিশুনি পৰাজয় কৰিবা বৰণ
কোৱা মোক বুজা নাই, কি তাৰ কাৰণ ।
পৰাজিত পক্ষ লোৱা নহয় যুগুত
আছে জানো কিবা তাৰ ৰহস্য গুপুত ?

ভগদত্ত

নহয় বীৰৰ লক্ষ্য জয়-পৰাজয়,
কওঁ মই ভালদৰে শুন আই তই ।

প্ৰাগজ্যোতিষৰ পতি ভগদত্ত মই
পিতৃ নৰকৰ তেজ প্ৰতি শিৰে বয়।
মহাবীৰ পিতৃ মোৰ ত্ৰৈলোক্য ঈশ্বৰ
যাৰ ভয়ে দেৱ নৰ কঁপে থৰ থৰ,
থই গল জগতত বীৰৰ গৰিমা
আজিও ধৰাই গায় নৰক মহিমা।
নাৰায়ণে নিজে যাক কৃষ্ণ ৰূপ ধৰি
বাধ্য হল মুক্তি দিব মহাযুদ্ধ কৰি।
সিদৰে জোঁৱায়ে মোৰ মহাশক্তি লই
ভগৱান শ্ৰীকৃষ্ণক বিপক্ষত থই
আহ্বানিছে মহাৰণ নিজৰ নিধন'
কিমান শকতি তাত হয় প্ৰয়োজন।
কৃষ্ণক বিপক্ষ লইময়ো ভাগ্যবান
তাৰ বাবে লাগে আই সাধনা কিমান।
এনে ৰণ বহুতৰ নিমিলে ভাগ্যত
মতলীয়া আজি মই ৰণৰ নামত।
যুজিম বীৰৰ দৰে মৃত্যু কৰি পণ,
বিপক্ষত কৃষ্ণসখা নৰনাৰায়ণ।
থাকিব আগত সেই মোহন মূৰুতি
পাৰ্থৰ সাৰথি কৃষ্ণ দেৱ যদুপতি।
হক ব্যৰ্থ শত চেষ্টা, তাতো যে সম্মান
দেৱতাৰো আকাঙ্ক্ষিত শত্ৰু ভগৱান।

মৰণত অমৰত্ব, পৰাজয়ে জয়
সেয়েহে বীৰৰ কাম্য জানিবি নিশ্চয় ।

ভানুমতী

বীৰৰ দুহিতা আৰু বীৰজায়া হই
বুজিলো সকলো পিতা, বীৰাঙ্গনা মই ।
এনুৱা সৌভাগ্য লাভ কৰি জীৱনত
শতবাৰ জন্মো মই প্ৰাগজ্যোতিষত ।
তুমিয়েই পিতৃ হবা, স্বামী দুৰ্য্যোধন
সাৰ্থক জীৱন হব, সাৰ্থক মৰণ ।

আঁৰ-কাপোৰ

জয়দেৱ

জয়দেৱৰ ঘৰৰ এটা খোঁটালী

[সাঁচি পাতত জয়দেৱে কবিতা লেখি আছে। বৈণীয়েক পদ্মাৱতীৰ প্ৰৱেশ।]

পদ্মা। আহাৰ প্ৰস্তুত নাথ।

জয়। (এবাৰ মূৰ তুলি চাই আকৌ কবিতা লেখিবলৈ ধৰে।)

পদ্মা। দিনমণি শোভা কৰে মধ্যাহ্ন গগন
বিলম্বৰ নাই প্ৰয়োজন।

জয়। পদ্মা !
কত ভাবে কত ছন্দে মোৰ সন্মুখত
ভাহি উঠে আজি দুটি পঙ্কজ চৰণ।
রুণু জুণু নেপুৰ বজাই
সুললিত বংশীধ্বনি কৰি
চন্দনচৰ্চ্চিত নীলকলেৱৰ
পীতবসন পদ্মলোচন
বনমালী মহাপ্ৰভু মোৰ
দেখা দিছে মানস পটত।
আশা আছে—ভাষা নাই
কিবা দৰে লেখনীৰে কৰিম প্ৰকাশ ?

শুনা—(পঢ়ে)

“ললিতলৱঙ্গলতাপৰিশীলনকোমলমলয়সমীৰে ।
মধুকৰনিকৰকৰম্বিতকোকিলকুঞ্জিতকুঞ্জকুটীৰে ॥
বিহৰতি হৰিৰিহ সৰসবসন্তে ।
নৃত্যতি যুৱতীজনেন সমং সখি বিৰহিজনস্য দুৰন্তে ॥
উন্মদমদনমনোৰথ পথিক বধূজনিত বিলাপে ।
অলিকুলসঙ্কুলসমূহনিৰাকুলবকুলকলাপে ॥
মৃদগদ সৌৰভ ৰভসবশং বদল তালতমালে ।
যুৱজনহৃদয়বিদাৰণ মনসি নখৰুচিকিংশুকজালে ॥
স্থলকমলগঞ্জনং মম হৃদয়ৰঞ্জনং ।
জনিতৰতিৰঙ্গপৰভাগম্ ॥
ভণ সমৃন বানি কৰবানি চৰণদ্বয়ং ।
স্মৰনখসদলক্তকৰাগম্ ॥
স্মৰ গৰলখণ্ডনং মম শিৰসি মণ্ডনম ।
............?
তাৰ পিছে ? তাৰ পিছে ?
কিনো লিখো বাৰু ?
আৰু দেখোঁ কল্পনাই নকৰে সহায়
কবিতা যে অসম্পূৰ্ণ মোৰ !

পদ্মা । নাথ !—

জয় । ক্ষন্তেক অপেক্ষা কৰা
স্নান কৰি আহিম তুৰন্তে ।

পূৰ্ণ কৰি যাওঁ মই অসম্পূৰ্ণ পদ
লাগে মাথোঁ একাকি বচন।
(অলপ সময় ভাবি) কত্তা ? কত্তা ?
কল্পনা যে আঁতৰি পলাল !
নাই—থ'ক ইয়াতেই
লৰালৰি আহোঁ স্নান কৰি।
আহাৰৰ অন্তত পুনৰ
কায়মনে ভাৰতীৰ কৰিম আৰতি।

[বেজাৰ মনেৰে পুথি সামৰি স্নান কৰিবলৈ যাবলৈ উদ্যত হয়। পদ্মাই ঘটি গামোচা আদি বস্তনাই দিয়ে।]

জয়। উস ! পদ্মা ! একাকি মাথোন পদ
সিও মোক প্ৰতাৰণা কৰিছে ইমান।
অসম্পূৰ্ণ কবিতাত মোৰ
নপৰিল স্বৰ্গীয় ৰহন। [প্ৰস্থান]

পদ্মা। ধন্য মই—পুণ্য মোৰ
নাই একো দৈন্য হৃদয়ত।
হৃদয়ৰ স্তৰে স্তৰে যাৰ
লিখা আছে কৃষ্ণ নাম সোণালী আখৰে
সিজনাৰ দাসী মই চৰণসেৱিকা।
পুণ্যবান ভক্তশিৰোমণি
স্বামী মোৰ—দেৱতা প্ৰাণৰ !
জনমে জনমে মই সেৱিম তোমাক।

তাতে মোৰ মহামুক্তি লাভ
কৃষ্ণপদ ৰেণু মই তুলিম শিৰত ।
[প্ৰস্থান । * শ্ৰীকৃষ্ণৰ প্ৰৱেশ ।]

শ্ৰীকৃষ্ণ । জয়দেৱ মহাভক্ত মোৰ !
ভক্তিত আৱদ্ধ মই ভগৱান
ভকতৰ বাঞ্ছা আজি কৰিম পূৰণ ।

[জয়দেৱৰ মূৰ্ত্তি ধাৰণ কৰি পুথি মেলি অসম্পূৰ্ণ পদৰ পাদপূৰণ কৰে]

শ্ৰীকৃষ্ণ । পদ্মা ! পদ্মা ! [পদ্মাৰ প্ৰৱেশ !]

পদ্মা । ইকি স্বামী !
নিমিষতে আহিলা উলটি ?
স্নান কৰা নহল তোমাৰ
কবিতাই কৰিলে বলিয়া ।

শ্ৰীকৃষ্ণ । সঁচা পদ্মা ! অতি সঁচা
কবিতাই আজি মোক কৰিলে বলিয়া ।
বাটতেই মনত পৰিল
অসম্পূৰ্ণ কবিতাৰ বাকী পদফাকি
"দেহি পদ পল্লৱ মুদাৰম্"
তাকে এবে লৰি আহি লেখি থলো মই ।
ভয় নাই—বলা,
বিনাস্নানে কৰিম ভোজন । [দুয়োৰো প্ৰস্থান ।]

পট পৰিবৰ্ত্তন—জয়দেৱৰ পোৰাঘৰ

[পদ্মা আৰু শ্ৰীকৃষ্ণৰ প্ৰৱেশ ।]

শ্ৰীকৃষ্ণ । (শয্যাত বহি) পদ্মা !

পৰম সুখাদ্য আজি কৰিলা ৰন্ধন
খালো মই পৰম তৃপ্তিৰে ।
বহু দিন অনাহাৰে থাকি
আজি যেন হল মোৰ
সুধা খাই ক্ষুধা নিবাৰণ ।

পদ্মা । এয়া নাথ ! তাম্বুল কর্পূৰ ।

শ্ৰীকৃষ্ণ । দিয়া (তামোল খায়)

[পদ্মাৰ প্ৰস্থান ।]

শ্ৰীকৃষ্ণ । সুন্দৰ !

স্বামী ভাৰ্য্যা দুয়োটিয়ে পৰম সুন্দৰ ।
স্নান কৰি জয়দেৱ আহিব এতিয়া
এই সময়তে মই হওঁ অন্তৰ্দ্ধান ।

[নিজ ৰূপ ধাৰণ কৰি অন্তৰ্দ্ধান হয় ।]

পুনৰ পট পৰিবৰ্ত্তন

জয়দেউৰ কোঠা—চাৰিওফালে অসংখ্য ফুল পৰি আছে।

[জয়দেৱৰ প্ৰৱেশ।]

জয়। দশোদিশে ধূপ ধুনা চন্দনৰ গোন্ধ
ভাহি আহি কৰ পৰা অতি আচম্বিতে
সুৰভিত কৰি দিলে গগন পৱন।
ইকি! কত মই ?
পৰি আছে চতুৰ্দ্দিকে ৰাশি ৰাশি ফুল
বৈকুণ্ঠত যেন মই কৰিলো প্ৰৱেশ।
পদ্মা! পদ্মা!

পদ্মা। (ভিতৰৰ পৰা)
বহো মই ভাতৰ পাতত
শোৱা নাথ! নিশ্চিন্ত মনেৰে।

জয়। ইকি! কেনে কথা প্ৰিয়া
মোক এৰি কৰিলা ভোজন ?
স্নান কৰি আহিলো মাথোন
কিবা হেতু আজি মোৰ উপৱাস ব্ৰত ?

[আচৰিত হৈ পদ্মাৰ প্ৰৱেশ।]

পদ্মা । আচৰিত !
এতিয়াই খুৱাই বুৱাই
এৰি থই শোৱনি ঘৰত
গলো মাথোঁ মই—
জয় । কিনো হেতু কোৱা মিছা কথা ?
পদ্মা । মিছলীয়া তুমি—
খাই বই মিছা মাতি পাতিছা ধেমালি ।
জয় ! অসম্ভৱ !
ইটো মোৰ ধেমালিৰ নহয় সময় ।
অসমাপ্ত কবিতাৰ
চিন্তাত কাতৰ মই ।
পদ্মা । অসমাপ্ত কবিতাও কৰিলা সমাপ্ত
ভোজনৰ আগতেই নিজ হাতে তুমি ।
জয় ! পাৰিবানে দিব দেখুৱাই ?
পদ্মা । পাৰো যদি ?
জয় । মানি লম সঁচা বুলি তোমাৰ কথাকে ।
পদ্মা । চোৱা তেনে নিজ হাতে পাত লুটিয়াই ।
[পুথি আনি দিয়ে ।]
জয় । (পুথি মেলি অতি আচৰিত হৈ)
সঁচা, সঁচা, ইফাকি যে মধুৰ বচন
যোগ কৰি দিলে কোনে মোৰ ৰচনাত ?
"দেহি পদ পল্লৱ মুদাৰম্"

আহা—আ! অতি সুন্দৰ!
নিৰ্জীৱ কবিতা মোৰ
কোনে আহি কৰি গল জীৱন্ত ইমান?
(গোটেই কবিতা পঢ়ি)
বুজিলো, বুজিলো, মই
নিজে আহি মহাপ্ৰভু মোৰ
বৰষিলে কৰুণাৰ ধাৰাসাৰ ধাৰ।
এই চোৱা—
পৰি আছে ৰাশি ৰাশি সুগন্ধি কুসুম।
বলো চাওঁগই—শয়নমন্দিৰ।

[দুয়োৰো প্ৰস্থান। অলপ পিছতে পুনৰ প্ৰৱেশ।]

জয়। নাই আৰু সন্দেহৰ অলপো কাৰণ।
এই চোৱা মৈৰা পাখি
এৰি গল চিহ্ন ৰূপে শয্যাত আমাৰ।
মহাভাগ্য আজি মোৰ
মহাপ্ৰভু নিজে আহি
মহাতীৰ্থ কৰিলে ৰচনা
দৰিদ্ৰৰ দীৰ্ণ কুটিৰত।
পদ্মা। এয়া বাকী আছে উচ্ছিষ্ট প্ৰভুৰ।

জয় । মহাপ্ৰসাদ ! মহাপ্ৰসাদ !
নৃত্য কৰা তুলি লই শিৰত তোমাৰ ।

[এনেতে সুললিত বংশীধ্বনি ভাহি আহে ।]

জয় । শুনা, শুনা, বাজে সেই মোহন মুৰলী
মতলীয়া কৰে মোৰ হিয়া ।
জয়দেৱ ! জয়দেৱ !
আনন্দ কৰ—আনন্দ কৰ
মাটিত বাগৰি পৰ ।
পদ্মা । পৰম সৌভাগ্য ইযে আজি আমাসাৰ ।
স্বামী !—
জয় । কোন স্বামী ?
সামান্য মানৱ মই
তুমি পালা, ময়ো পালো,
নিজে আহি জগতৰ স্বামী
যাচি দিলে স্বামিত্ব আমাক ।
কি আনন্দ ! কি সুখ ! কি তৃপ্তি !!
[বাহী বাজি থাকে]

আঁৰ-কাপোৰ

ছোহ্ৰাব ৰুস্তম্

ৰুস্তম

তয়ে জানো সেই দুৰ্দ্দান্ত বালক তুৰ্ক-বাহিনীৰ প্ৰথম বলি,
ৰাজ্যৰ পিছত ৰাজ্য জয় কৰি অসাৰ দৰ্পত আহিছ ফুলি ?
পাৰস্য দেশত দৰ্প নেথাকিব, অলপ পিছতে জানিবি তই
তোৰ আহ্বানত সেইবাবে মাথোঁ আগবাঢ়ি আজি আহিছো মই।

ছোহৰাব

তাৰ আগে মোক দিয়া পৰিচয় – তুমিয়েনে সেই ৰুস্তম বীৰ,
যাৰ নাম শুনি সাত শত্ৰুৰেও দূৰতে পলায় দোৱাই শিৰ ?
যাৰ নাম লই ছো'ৰাব কোৱঁৰে ৰণলই নিতে বাঢ়িছে আগ
তুমিয়েনে বাৰু সেই বীৰমণি, কোৱাচোন মোক হে মহাভাগ !

ৰুস্তম

ধিক তোৰ শিক্ষা ! মূৰ্খ শিশু তই ৰুস্তমক তোৰ ইমানে ভয়
এই সাহসেৰে—এই বীৰত্বেৰে কিদৰে বিচাৰি আহিছ জয় ?
কোন জননীক কলঙ্কিতা কৰি এনুৱা ভীৰুতা লভিলি দান
ৰুস্তমৰ নাম কৰি উচ্চাৰণ ভয়তেই তোৰ কঁপিছে প্ৰাণ।

ছোহৰাব

ক্ষান্ত হক জিভা ! তেনুৱা বচন মুখত নানিবা কদাপি তুমি,
ছো'ৰাব-জননী নোহে কলঙ্কিনী যাৰ পদৰেণু আহিছো চুমি,

যিজনা মাতৃৰ আশীৰ্ব্বাদ লই হেলাৰে জিনিলো শতেক বীৰ
সেই জননীক অপমান কৰি নোৱাৰো ৰাখিব গৰ্ব্বিত শিৰ।
স্বপ্নতো নীৰলে ভীৰুতাৰ কথা নকৰো কল্পনা কদাপি মই,
পাবা পৰিচয় মোৰ বীৰত্বৰ নাভাবিবা আজি লভিবা জয়।
ৰুস্তম নামত আছে কি মাধুৰী – কি ভাব খেলিছে মনত মোৰ,
পাৰস্যৰ সিংহ বীৰ ৰুস্তমৰ তুমি কি বুজিবা মহিমাবোৰ ?

ৰুস্তম

নালাগে বুজাব ৰুস্তম মহিমা শিশুৰ মুখৰ মুশুনো কথা
পাৰস্যৰ আজি মহাশত্ৰু তই—তোৰ প্ৰতি নাই অলপো ব্যথা ;
পাৰস্যৰ পৰা আঁতৰি দূৰত চিস্তান ৰাজ্যত আছিলো মই
সেই সুযোগতে আহি পালি তই ভাবিছ কৰিবি পাৰস্য জয় ?
ইমান সহজে নুপূৰিব আশা, অপূৰ্ণ থাকিব কামনা তোৰ
পাৰস্য-গৌৰৱ থাকিব অটুট, মিছাতে ভাঙিলি জিৰণি মোৰ।
জনমভূমিৰ দুৱাৰমুখত নিদিও বজাব বিজয় ভেৰী –
বীৰৰ সন্তানে অস্ত্ৰৰ আগেৰে দিয়ে পৰিচয় গৌৰৱ কৰি।

ছোহৰাব

বেছ কথা তেনে ! দিম পৰিচয়, অসাৰ দৰ্পৰ ভাঙিম চূড়া—
পাৰস্য দেশৰ যশৰ কিৰীটি ভাঙি ছিঙি আজি কৰিম গুৰা।
যি ৰাজ্য গঢ়োতে বীৰ ৰুস্তমৰ গল জীৱনৰ বহুতো দিন
সেই ৰাজ্য আজি ছাৰখাৰ কৰি বজাব ছো'ৰাবে ধ্বংসৰ বীণ।
চিনো চিনো কৰো, চিনিব নোৱাৰো, তথাপি তোমাক যাচিছো ভক্তি
গৰজি উঠিছে ৰুদ্ধ হৃদয়ত আকুল হিয়াৰ বিপুল শক্তি।

আহা আগবাঢ়ি সউ প্ৰান্তৰত পূৰ্ণ কৰো মই বীৰৰ পণ,
তৰোৱাল লই আলিঙ্গন কৰি দুয়োজনে আমি কৰিম ৰণ।

ৰুস্তম

সেয়ে হক শিশু! তাকে দিম মই, নতওঁ কৃপণ কৰিম ৰণ—
হৃদয়ৰ পৰা মায়া-মমতাৰ ছিগি যা বন্ধন, স্থিৰ হ মন।
দুনিয়াৰ স্বাৰ্থ হক এবে ব্যৰ্থ, দেশৰ আহ্বান সৰাতো বৰ,
ধ্বংস হক মোৰ দেশৰ অৰাতি—আপোন হলেও তই যে পৰ।
বয়সত তই অতি কুমলীয়া যোগ্য প্ৰতিযোদ্ধা নহৱ মোৰ
বল তথাপিতো আহিলি যেতিয়া ৰণৰ পিয়াহ গুচাম তোৰ!

পট পৰিবৰ্ত্তন

ছোহৰাব

কিয় হেৰা বীৰ, অৱনত শিৰ—বাৰে বাৰে মাথোঁ ঘাটিলা তুমি,
বুজিলানে এবে কেনেকুৱা মোৰ বীৰপ্ৰসৱিনী জনমভূমি।
মোৰ জন্মভূমি বাইৰাণ দেশ—যাৰ নাম লই গৌৰৱ কৰো
আকাৰত সৰু প্ৰকাৰত বৰ—জন্মো যেন তাতে য়দিহে মৰো।
চিনিলানে আজি মোৰ জননীক—যাৰ পুত্ৰ মই নহও ভীৰু
হাঁহি হাঁহি মই জিনিলো তোমাক—নামাৰানে বীৰ ফিতাহি আৰু?
ইচ্ছা কৰা হলে মোৰ তৰোৱালে—এতেবেলি বীৰ, বিদাৰি প্ৰাণ
নাচিলেহেতেন বুকুত তোমাৰ, কৰিলেহেতেন তেজত স্নান।
কাটিলো তোমাৰ শিৰৰ মুকুট, বীৰত্বৰ যশ কৰিলো ম্লান—
নকৰানে বাৰু উপহাস আৰু নামাৰানে চোকা বিদ্ৰূপ বাণ?

ৰস্তম

জীৱনত মোৰ এনে পৰাজয় আজিয়ে প্ৰথম, আজিয়ে শেষ,
এটিবাৰ মাথোঁ হল পৰাজিতা গৌৰৱমণ্ডিতা পাৰস্য দেশ।
নাভাবিবি তই দুৰন্ত বালক! তুনাই জিনিব পাৰিবি মোক
এই শেলে মোৰ লব প্ৰতিশোধ—দেখা য'ক কোনে ৰাখিব তোক।

ছোহৰাব

কি কৰিলি তই হেৰ বেইমান! অপ্ৰস্তুত মোক ইদৰে মাৰি,
বীৰৰ নামত কলঙ্ক সানিলি, নিৰস্ত্ৰ শত্ৰুক আঘাত কৰি।
অকলশৰীয়া বীৰ সন্তানক বধিলি পাষণ্ড, সুযোগ চাই
জগৎবিজয়ী ৰস্তম পিতাই নকৰিব ক্ষমা কদাপি হায়!
কত আজি তুমি জনক ৰস্তম! তোমাৰ পুত্ৰৰ এনুৱা দশা,
নেদেখিলো মই চৰণ তোমাৰ; মনতে থাকিল মনৰ আশা।

ৰস্তম

কি কলি সোণাই! কচোন তুনাই—ৰস্তম কিদৰে জনক তোৰ,
ৰস্তমৰ দেখোঁ পুত্ৰ হোৱা নাই,—বাঢ়িছে মনত সন্দেহ ঘোৰ।
কন্যা এটী হেনো আছে ৰস্তমৰ—সেয়েহে দেখোন খোদাৰ দান
অন্তিম কালত দুখ দেখি তোৰ, বেজাৰতে মোৰ কান্দিছে প্ৰাণ।

ছোহৰাব

যি শুনিছা তুমি মিছা কথা মাথোঁ, ৰস্তমৰ পুত্ৰ ছো'ৰাব মই,
জননীয়ে মোৰ পিতাক ছলিলে, অপত্য স্নেহত বন্দিনী হই।
কন্যা হোৱা বুলি বাতৰি পঠাই, বুকুত সাৰটি ৰাখিলে মোক,
করুণাৰূপিনী সেই যে জননী—নেদেখিলো হায় আজি যে তোক!

নিষ্ঠুৰ পিতাই এৰি গল তোক, আহিম বুলিও নাহিল ঘূৰি
পিতৃ-অন্বেষণ নহল পূৰণ, জীৱ-পখী মোৰ যায় যে উৰি !

ৰস্তুম

আছে জানো কিবা পৰিচয় চিন, বীৰ ৰস্তুমৰ পুত্ৰৰ গাত
দেখা পালে যাক চিনিব ৰস্তুমে—বংশৰ গৌৰৱ আছেনে তাত ?

ছোহ্ৰাব

যিদিনাৰ পৰা ককাদেউতাৰ জীৱন ৰাখিলে যতন কৰি
ঈগল আমাৰ বংশত সদায়, অতি পূজনীয় সিদিন ধৰি।
পিতৃ-নির্দ্দেশত বাহুত অঙ্কিত ৰঙা ঈগলৰ পৱিত্ৰ চিত্ৰ,
চাব খোজা যদি চাব পাৰা তুমি—ঈগল আমাৰ বংশৰ মিত্ৰ।

ৰস্তুম

নালাগে, নাগাগে, বুজিলো সকলো, ময়ে তোৰ সেই নিষ্ঠুৰ পিতৃ,
নিজৰ বুকুতে কুঠাৰ বহালো, পুত্ৰহীনা হল দুখুনী মাতৃ।
পুত্ৰহীন হল অধম ৰস্তুম—নিজকে কৰিলো নির্ব্বংশ হায়,
বীৰ তনয়ৰ মোল নুবুজিলো, হেৰুৱালো তোক হাততে পাই
বীৰত্বৰ তোৰ বাঢ়িল মহিমা—কলঙ্ক-কালিমা ভাগত-মোৰ
তোৰ জননীক পৰিত্যাগ কৰা ইদৰেই পুত্ৰ, তুলিলি হোৰ।
আমুদৰিয়াৰ ৰূপালী বালিত শতুৰু শালিলে নির্ম্মম কালে,
কোন জনমৰ অভিশাপ লই—ৰাক্ষস ৰস্তুমে পুত্ৰক খালে!
কোন কুক্ষণত আহিলো ওলাই, কৰিলো অন্যায় সমৰসজ্জা
যুগ-যুগান্তৰ পাপী ৰস্তুমৰ—ৰব ই কলঙ্ক, ৰব ই লজ্জা !

হে আমুদৰিয়া ! পুণ্য-প্ৰৱাহিনী চকু মুদি যাবি ইফালে চাই,
কোমল বুকুৰ তপত তেজেৰে বুৰি গল পাৰ চঠাতে হায় !
দেশ বিদেশত এই কাহিনীৰ নবজাবি বীণ, নকবি কথা—
সাতো সাগৰৰ পানী ঢালিলেও, মুমুমায় জুই—মুগুচে ব্যথা।

ছোহৰাব

নাকান্দিবা পিতা ! ভাগ্যবান মই—পদধূলি মোৰ শিৰত দিয়া,
অযোগ্য নহলো তোমাৰ তনয় সেই গৰ্ব্বে মোৰ নাচিছে হিয়া।
তোমাৰ হাতত জীৱন উছৰ্গি মৰণতো মোৰ বেজাৰ নাই,
বেহেস্তত মই আল্লাৰ কাষত, লভিম জুৰণি সুখৰ ঠাই।
মাগিলো বিদায় ! অসহ্য পলম, মিছাতে অৰথা আক্ষেপ কিয়,
আলহীঘৰৰ মমতা এৰিলো, মুক্ত হই যাওঁ অমৰ জীৱ।
হে মোৰ দেৱতা, পূজনীয় পিতা, ভুৱনবিজয়ী পাৰস্য-বীৰ !
তোমাৰ কোলাত মূৰ থই আজি যাচিছে পুত্ৰই ভকতি-নীৰ।
মৰমৰ মোৰ তুৰ্ক-বাহিনীক কৰিবা আদৰ শত্ৰুতা ভুলি,
দুখুনী মাতৃক কৰিবা গ্ৰহণ আকউ এবাৰ নিজৰ বুলি।
ভৱ-সাগৰৰ কাণ্ডাৰীয়ে মোৰ পাৰত চপায় জীৱন-নাও,
বজোৱা তোমাৰ ৰণৰ বাজনা, তাকে শুনি মই টোপনি যাওঁ।

ৰস্তুম

উঠ মোৰ পুত্ৰ ! আকউ এবাৰ, বীৰ বিক্ৰমেৰে বাহিনী সজা
হত্যা কৰ এই পাপী ৰস্তুমক উৰুৱাই তোৰ বিজয় ধ্বজা।

স্বদেশমন্ত্ৰত আত্মবলি

চিতোৰৰ ওচৰৰ বননি। দূৰৈত আৰাৱল্লী পৰ্ব্বতমালা আৰু কুলু কুলু মাতেৰে ফটিকৰ ধাৰেৰে বৈ অহা নিজৰা এটিৰ বিণিকি বিণিকি দৃশ্য। হাতত ধেনু-কাঁড় লৈ মৃগয়াৰ্থী চিতোৰৰ ৰাণা প্ৰতাপ।

প্ৰতাপ। চাৰি ফালে নীৰৱতা!

—অটব্য বননি
মানুহৰ নাই সমাগম!
অন্ধকাৰ—ঘোৰ অন্ধকাৰ!
আঁতৰত বেঢ়ি থকা পৰ্ব্বতমালাই
বাধা দিছে প্ৰৱেশিব সূৰ্য্যৰ উত্তাপ।
ঠিক সেই একে দৃশ্য—
যিবা দৰে আজি মোৰ জননী মেৱাৰ
ঘোপমৰা এন্ধাৰত দিক তেকৰাই
চাৰিফালে ফুৰিছে বিনাই।

আৰু হায় সউ যে দূৰত
নিজৰাৰ জিৰ জিৰ উঠিছে ৰিননি
ঠিক, ঠিক সেইদৰে—
স্বৰ্গাদপি গৰীয়সী মেৰাৰতো আজি
হিয়াভগা কান্দোনৰ উঠি প্ৰতিধ্বনি
বাগৰিছে অবিৰাম বিজুলী বেগেৰে
অন্তৰৰ ওপৰেদি প্ৰতি সন্তানৰ !
হায় মোৰ হতভাগী মেৱাৰ জননী !
কত দিন আৰু তই সহিবি লাঞ্ছনা
পেলাবি কিমান আৰু তপত চকুলো ?
আমি যত কাপুৰুষ সন্তানসকলে
বুকুত সাৰটি হাত তথাপিতো হায়
কাঠৰ পুতলা প্ৰায়
চাই আছো একে থৰে জননীৰ দুখ !
ধিক জীৱনত !
শতধিক নামত আমাৰ !
[আঁতৰৰ জোপোহাত শব্দ হয় ।]
আঁতৰত কিহবাৰ উঠিছে শবদ
যিয়ে হক একে শৰে কৰিম নিপাত ।

জোপোহালৈ লক্ষ্য কৰি শৰ নিক্ষেপ। ঠিক সেই সময়তে আন এপাত শৰ আঁতৰৰ পৰা আহি সেইফালে পাৰ হৈ যায় প্ৰতাপৰ প্ৰস্থান। প্ৰতাপৰ ভায়েক শক্তসিংহৰ প্ৰৱেশ।

শক্ত। কতা? নেপাও একোৰে চিন—
ঘোৰ অন্ধকাৰে নিদিয়ে একোকে চাব।
এই পিনেৰেই মোৰ আহিছিল শৰ।
দেখা য'ক ভাল কৰি
কাৰ আজি জীৱনত অন্তিম মেলানি।

[প্ৰস্থান। অলপ সময়ৰ পিছতে পুনৰ শক্ত আৰু প্ৰতাপৰ প্ৰৱেশ।]

প্ৰতাপ। মোৰ শৰতেই সেই প্ৰকাণ্ড গাহৰি
পৰি আছে লেটি লই মাটিত বাগৰি।
শক্ত। ভুল অনুমান
মোৰ সেই তীক্ষ্ণ শৰে নিপাতিছে তাক।
প্ৰতাপ। কদাপি নহয়। মিছা কথা।
শক্ত। সম্পূৰ্ণ সঁচা।
প্ৰতাপ। সম্পূৰ্ণ মিছা।
শক্ত। সম্পূৰ্ণ সঁচা।
প্ৰতাপ। নিৰুপায়।
কিদৰে এতিয়া কৰো সত্য নিৰুপণ?
শক্ত। নিজ নিজ বাহুৰ বলেৰে।
প্ৰতাপ। কেনেকৈ?
শক্ত। তুলি লোৱা ধেনু-শৰ বুজিবা আপুনি।
প্ৰতাপ। দুহাত ৰাঙলী কৰি ভ্ৰাতৃৰ তেজেৰে
ভাতৃয়ে কৰিব আজি সত্য নিৰুপণ?

শক্ত। অৱশ্যই লাগিব কৰিব।
প্ৰতাপ। অসম্ভৱ।
শক্ত। নিশ্চয় সম্ভৱ।
প্ৰতাপ। যদিবাও সম্ভৱৰ কথা
হব পাৰে শক্তৰ কাৰণে
তথাপিতো
অসম্ভৱ এনে কাম ৰাণা প্ৰতাপৰ।
শক্ত। ধিক! শতধিক!
পৰাক্ৰান্ত ৰাজপুত বীৰ
হল তেজে হীন বাহুবলী?
ৰাণা! এই সাহসেৰে—এই উদ্যমেৰে
সেই দুই ঘৃণিত বাহুৰে
কৰিব খুজিছা নেকি চিতোৰ উদ্ধাৰ?
ঘূৰাই আনিবা পুনু
মেৱাৰৰ লুপ্ত স্বাধীনতা?
শুনা কথা, এতিয়াও কইছো তোমাক
পৰিত্যাগ কৰা সেই অসাধ্য সাধনা।
প্ৰতাপ। কি? কি কলি শক্ত?
ভুল অনুমান তোৰ।
এতিয়াও বীৰ ৰাজপুত
হোৱা নাই হীন বাহুবলী।
শোণিতবিহীন নোহে ৰাণাৰ শৰীৰ।

বিচাৰিছ যদি তই
ক্ষত্ৰিয়ৰ শক্তিৰ পৰীক্ষা
প্ৰস্তুত মই এশবাৰ
সাজু হ তুৰন্তে তই।

শক্ত। উত্তম!
উপযুক্ত এনে কথা ৰাণাৰ মুখত।

[দুই জনৰে ৰণসজ্জা। এনেতে বেগেৰে চিতোৰৰ কুল-পুৰোহিতৰ প্ৰৱেশ।]

পুৰো। ক্ষান্ত হোৱা দুয়োজন—বাধা ব্ৰাহ্মণৰ!
কিয় কৰা ভায়ে ভায়ে কাজিয়াপেচাল?
মেৱাৰৰ আজি এই ঘোৰ দুৰ্দিনত
এই তৱ সমৰসজ্জাই
আক ঘোৰ ভৱিষ্য বিপদ
কৰিছে সূচনা।
অমঙ্গল। মেৱাৰৰ ঘোৰ অমঙ্গল।

শক্ত। দেৱ! প্ৰণিপাত কৰো চৰণত।
নিদিব কদাপি বাধা কৰিছো মিনতি
সত্য এটি কৰো নিৰূপণ।
অমূলক মেৱাৰৰ ভৱিষ্য বিপদ
নকৰিব আশঙ্কা মিছাতে।
ক্ষত্ৰিয় আমি—ৰাজপুত আমি
লৌহ বৰ্ম্মে আবৃত শৰীৰ,

অস্ত্ৰৰ মুখেদি কৰো স্নেহ-আলিঙ্গন।
চায় যদি আঁতৰি অলপ
হব নিজে সন্দেহ ভঞ্জন।
কৰো মই অস্ত্ৰত্যাগ ৰাণা !
পাৰা যদি কৰা এবে আত্মৰক্ষা তুমি।
পুৰো। তেন্তে—তেন্তে আৰু নাই প্ৰয়োজন।
অসম্ভৱ বাধা দিয়া মুখৰ কথাৰে।
ৰাখিবা মনত মই কওঁ শেষ বাৰ—
ভায়ে ভায়ে বিবাদ কৰিয়ে
বিভীষণ দশাননে বুৰালে লঙ্কাক।
ক্ষান্ত হোৱা বীৰ ভ্ৰাতৃদ্বয় !
তোমালোক দুয়ো জন থাকিলে লগেৰে
মেৱাৰৰ ভাগ্যলক্ষ্মী আহিব উলটি।
সেইবাবে দীনহীন এই ব্ৰাহ্মণৰ
যদিহে কাজত লাগে দুটোপ শোণিত
সিও হব গৌৰৱৰ কথা।
বাধা ব্ৰাহ্মণৰ, বাধা দেশৰ
বাধা ধৰ্ম্মৰ, বাধা পিতা প্ৰপিতামহৰ !
ক্ষান্ত হোৱা—ক্ষান্ত হোৱা—ক্ষান্ত—

[সাউত কৰি কাপোৰৰ তলৰ পৰা কটাৰী এখন উলিয়াই ডিঙিত বেপ দি মাটিত বাগৰি পৰে।]

প্ৰতা। (কপালত ভূকুৱাই)
সৰ্ব্বনাশ! ব্ৰহ্মহত্যা চকুৰ আগতে।
প্ৰতাপ! কিমান তই সহিবি যাতনা?
নিষ্ঠুৰ বিধতা!
লেখিছিলি কপালত ইয়াকো শেহত?
শক্ত নৰাধম!
তয়ে এই সৰ্ব্বনাশ কৰিলি সাধন।
ভাগ ললি ব্ৰহ্মহত্যা মহাপাতকৰো।
অতিকে পবিত্ৰ হায়
চিতোৰৰ ৰাণাৰ বংশত
উপজিলি ধূমকেতু হই।
ভালে ভালে মেৱাৰক কৰ পৰিত্যাগ
নিৰ্ব্বাসন দণ্ড দিলো তোক।
পুণ্যময়ী মেৱাৰত মোৰ
পাপী শৰীৰৰ বোজা থাকে যদি তোৰ
তেন্তে তাত পৱিত্ৰতা নেথাকে কদাপি!
পাষণ্ড! তুৰন্তে আঁতৰি যা
আৰু তোৰ পাপ-মুখ নেচাও কদাপি।

শক্ত। শিৰোধাৰ্য্য আদেশ ৰাণাৰ।

(প্ৰণাম কৰি বেগেৰে প্ৰস্থান।)

প্ৰতাপ। তাহানিয়ে সোঁৱৰণী চাই
দৈৱজ্ঞই যিবা কথা কলে গণি পঢ়ি
ঠিক আজি আগন্তুক তাৰে।
চিতোৰৰ ভৱিষ্যৰ মহাবিপদৰ
নিশ্চয় কাৰণ হব এই পাষণ্ডই।
মেৱাৰ! মেৱাৰ! জননী মেৱাৰ মোৰ!
চোৱা আই!
তোমাৰে যে মুক্তিৰ কাৰণে
ব্ৰতী হই স্বদেশমন্ত্ৰত
সউ জনা চিতোৰৰ কুলপুৰোহিতে
অকাতৰে—আত্মবলিদানে
হাঁহি হাঁহি গুচি গল স্বৰ্গধামলই।
স্বাৰ্থত্যাগ! চোৱা কি মহান স্বাৰ্থত্যাগ!
প্ৰাণ হেন অমূল্য ৰতন
বিসৰ্জ্জিলে হেলাৰঙে তাকো।
কি মোহিনী পুণ্যময়ী গৰীয়সী শক্তি
স্বদেশপ্ৰেমৰ—
আজিহে বুজিলো মই।
প্ৰতাপ। চাই ল, চাই ল পুনৰ সউ
ধূলিত বাগৰি থকা পৱিত্ৰ শৰীৰ।
ধন্য হবি তই,
ধন্য হব দেহ তোৰ।

যাওঁ এবে সোণকালে নকৰো পলম।
কৰোগই মৃতকৰ পৱিত্ৰ দেহৰ
যথাযোগ্য শতকাৰ ।
(শৰটো কান্ধত তুলি লৈ)
চিতোৰৰ কুলপুৰোহিত !
তুমি দেৱ ব্যথিত হৈ জননী দুখত
জননীৰ কাৰণেই মাতৃমন্ত্ৰ জপি
অকাতৰে তিয়াগিলা নশ্বৰ শৰীৰ ।
হায় জন্মভূমি !
ইদৰে সকলো তোৰ স্নেহৰ সন্তান
শিৰোগত কৰি এই মহান আদৰ্শ
যিদিনা সমৰ্থ হব প্ৰাণ বলি দিব
সিদিনাতো আৰু
নেথাকে কদাপি তোৰ এই হীন বেশ ।
আহিবনে সেই দিন ?
[প্ৰস্থান]

—আঁৰ-কাপোৰ—

ধাত্ৰী পান্না

চিতোৰ—ৰাজঅন্তেষপুৰ

ৰাজকোঁৱৰ উদয়সিংহক শয্যাত শুৱাই কাষতে চিন্তামগ্ন হৈ বহি আছে ধাত্ৰী পান্না। মাটিৰ আন এখন শয্যাত তেওঁৰ নিজৰ পুতেক!

পান্না। নাহিল টোপনি কিয় ?
কি চিন্তাই মন মোৰ কৰিছে আকুল ?
অতি সুৰক্ষিত এই অন্তেষপুৰত
কিনো সাহসেৰে বাৰু
প্ৰৱেশ কৰিলে আজি চিন্তা-দানৱীয়ে ?
মন মোৰ সশঙ্কিত
কি কাৰণে আগচকু নাচিছে সঘনে ?
হায়, বুজা নাই কিনো অমঙ্গল !
হেজাৰ বন্তিৰ সউ পোহৰেৰে দীপ্ত
বিজুলীয়ে চাবলই লাজ কৰে যাক
সেই হেন ৰাজকাৰেঙত
কিয় আজি এন্ধাৰৰ ইমান প্ৰভুত্ব ?
হব বুলি মহা অমঙ্গল
কিহে মোৰ হৃদয়ত কৰিছে আঘাত ?

কইছে লগতে যেন—
দুৰ্ব্বলা ৰমণী !
পাৰ যদি দেখুৱাব নাৰীৰ গৌৰৱ
ভয় নাই, নুনুমায় আশাৰ প্ৰদীপ !
ইকি ! ঘোৰ নিৰাশাতে
শুনো যেন আশ্বাসৰ বাণী ।
সঁচাকৈয়ে অন্তৰাত্মা মোৰ ।
কৰিছনে ভৱিষ্যৎ বাণী ?
সঁচাকৈয়ে বাৰু তই !
দেখুৱাই দিছ নেকি কৰ্ত্তব্যৰ পথ
নে ছলনা ?
ক, ক মোক ঠিক কৰি ।
পুনৰায় সেই কথা একেটি আশ্বাস—
ভয় নাই পান্না !
আহিছে পৰীক্ষা এটি
পাৰিবি উত্তীৰ্ণ হব হাঁহিমুখে তই ।
কিন্তু সাৱধান,
ধৰিব আগচি পথ স্বাৰ্থ-ৰাক্ষসীয়ে
ত্যাগৰ মন্ত্ৰত যদি দীক্ষা লই তই
সাহসেৰে যাৱ আগবাঢ়ি
আপুনি পলাব তাই—তোৰে হব জয় ।
পান্না ! শুনিলি সকলো কথা ।

বল বান্ধ শৰীৰত তোৰ !
নীচ দুৰ্ব্বলতা !
নাই আৰু তোৰ স্থান !
চিতোৰৰ ৰাজধাত্ৰী পান্নাৰ কাষত ।

[বেগেৰে প্ৰৱেশ ভৃত্য হীৰালালৰ প্ৰৱেশ ।]

পান্না । কি ! হীৰালাল দেখোন ?
আনিছা লগত কিনো ভীষণ বাতৰি ?
কোৱা সোণকালে,
ভবা কথা সঁচা হল তেনে ?
ইমান কঁপিছা কিয় ?
ধৈৰ্য্যৰ আশ্ৰয় লই কোৱা হীৰালাল !
কি অঘটন ঘটিছে ৰাজ্যত ?
হীৰা । অঘটন, মহা অঘটন ।
পলোৱা, পলোৱা পান্না !
সুপ্ত ৰাজকোৱঁৰক সউ
লই যোৱা শীঘ্ৰে তুমি বুকুত সুমাই ।
শুনা যদি মোৰ কথা, নুলটিবা আৰু
পৃথিবীৰ এমূৰত, হিমাদ্ৰি টিঙত
নাই যত ৰজাৰ শাসন,
নাই যত আৰু

পাপাত্মা মানৱ বহা ৰাজসিংহাসন
যোৱা তুমি তেনে স্থানলই ।
নুশুনিলে মোৰ কথা
নোলায় মুখেৰে, শীঘ্রে কি হব ইয়াত ।
জিভা ! খহি পৰ
তথাপিতো নকৰিবি তই
সেই পাপ বাক্য উচ্চাৰণ ।

পান্না । ভালকই ভাঙিপাতি কোৱা হীৰালাল,
বুজা নাই একোকেই মই ।
ইমানকে বুজিছো কেৱল
দিছা এক ভয়ঙ্কৰ বিপদ-জাননী ।

হীৰা । তাতোকই ভয়ঙ্কৰ যিমান ভাবিছা ।
সিংহাসন নিষ্কণ্টক কৰিবৰ হেতু
চিতোৰৰ অধিপতি বনবীৰে আজি
ধৰিছে শমন-মূৰ্ত্তি ।
নৰপতি বিক্রমজিতক
সংহাৰিলে পাষণ্ডই বন্দী অৱস্থাতে ।
প্রতিদ্বন্দ্বী আছে যেয়ে তাৰ
তাৰে আজি পৃথিবীত অন্তিম মুহূৰ্ত্ত ।
বিক্রমৰ শিশু পুত্ৰ উদয়সিংহকো
ক্ষন্তেকতে নৰাধমে কৰিব সংহাৰ
ৰাজশোণিতেৰে এই মজিয়া ভাহিব ।

পান্না! নাই আৰু কবলই মোৰ
সমাচাৰ জনালো তোমাক,
যিবা পাৰা, কৰা প্ৰতিকাৰ।
কিন্তু শীঘ্ৰে—অতি শীঘ্ৰে,
আহিব লাগিছে সেই ৰাক্ষসী মুহূৰ্ত্ত।

[বেগেৰে প্ৰস্থান।]

পান্না। ভগৱান! কি শুনালা মোক?
বিক্ৰমৰ বংশৰ গজালি
তুপতীয়া নউ হওতেই
যাব নেকি ভাগি আজি চুৰমাৰ হই?
স্বৰ্গতো অধিক পূজ্যা মেৱাৰৰ পৰা
সঁচাই নুমাব নেকি বিক্ৰমৰ নাম?
নাই—অসম্ভৱ
জীয়াই থাকোতে পান্না
সেই কাম নহব কদাপি।
আহা! নিশ্চিন্ত মনেৰে
শুই আছ বাছা তই কোমল শয্যাত!
জনা নাই সংসাৰত পাপ ষড়যন্ত্ৰ
তলে তলে চলিছে কিমান!
প্ৰাণৰ পুতলী!
মৃত্যুক কৰিবি জয়—মৃত্যু নাই তোৰ।

[মাটিৰ শয্যাৰ পৰা পুতেকক আনি উদয়ৰ ঠাইত থলে আৰু উদয়ক পাচি এটাৰ তলত লুকাই ৰাখিলে]

পুত্র মোৰ ! দুখুনীৰ একেটি ৰতন !
ধন্য হব—আজি তোৰ ময়াপী জীৱন ।
ৰজাৰ সলনি তই স্বদেশসেৱাত
লগাব পাৰিবি ক্ষুদ্র দেহা !
ভাগ্যবান তই,
ৰাক্ষসী মাতৃয়ে আজি
দিব তোক যমৰ মুখত ।

[হাতত ৰঙা তৰোৱাল লৈ চিতোৰৰ অধিপতি বনবীৰৰ প্রৱেশ ।]

বন । পান্না ! ৰাজকোঁৱৰ উদয়সিংহ কত ?
পান্না । কিবা সকামত তুমি এনে মাজ নিশা
বনবীৰ ! আহিছা কাষলৈ মোৰ ?
কোৱা,
ঘৃণিত কামনা কিবা কৰিবা পূৰণ ?
কিয় লাগে উদয়সিংহক ?
এনুৱা দুপৰ নিশা
কিবা তব প্রয়োজন ৰাজতনয়ৰ ?
বন । পান্না !

নহও উত্তৰ দিব বাধ্য তোৰ মই !
কত আছে সি—দে মোক দেখুৱাই ।

পান্না । যদি নেদেখুৱাও ?

বন । এই তৰোৱালে তাৰ দিব সমিধান ।

পান্না । কাৰ শোণিতেৰে বাৰু ৰঙা তৰোৱাল ?
কি কাৰণে দয়া মায়া বিসৰ্জ্জন কৰি
আচৰিছা ঘৃননীয় হত্যা অভিনয় ?

বন । যেয়ে মোক বাধা দিব পথ ভেটি ধৰি
কৰিব অসিয়ে তাৰে তপ্ত ৰক্তপান ।
কত উদয়সিংহ ? দেখুৱাই দে তাক ।

পান্না । সৌৱা—
শুই আছে বাছা মোৰ, নজগাবা তাক ।

বন । ভয় নাই, নজগাও, নেভাগে টোপনি
অনন্ত নিদ্ৰাই তাক লব আকোৱালি ।

পান্না । (স্বগত) পুত্ৰস্নেহ !
নাথাকিবি অন্তৰত মোৰ ।
আজি হন্তে জননীৰ কোমল অন্তৰ
শিলেৰে বন্ধোৱা হক ।

বন । পান্না ! চা এবাৰ এই ফাললই ।
বিক্ৰমৰ বংশধৰ উদয়সিংহৰ
হব আজি মেৱাৰত ৰাজঅভিষেক ।
(পান্নাৰ পুতেকৰ বুকুত ঘনে ঘনে তৰোৱাল বহুৱাই দি)

জয় জয় মহাৰাজ উদয়সিংহৰ
জয় জয় মহাৰাজ উদয়সিংহৰ !
আহ আৰু কোন আছ পথৰ বিঘিনি
সকলোৰে একে দশা, একে পৰিণাম !
জয় মহাৰাজ উদয়সিংহৰ জয় ।
হাঃ হাঃ হাঃ !
(তৃপ্তিৰ বিকট হাঁহি মাৰি ওলাই যায়)

পান্না । উস, বনবীৰ !
মানুহ নে পিশাচ তই ?
পুত্ৰ মোৰ ! হলা আজি স্বৰ্গবাসী তুমি
মুক্ত আত্মা গুচি যোৱা মুক্তিধামলই
পাপেভৰা সংসাৰত নেলাগে থাকিব
[হীৰালাল আহে ।]

হীৰা । পান্না ! কি কৰিলা ?
কাৰ ৰক্তে পাষণ্ডৰ সিক্ত তৰোৱাল ?
শিশু উদয়ক তুমি
দিলা নেকি সঁচাকৈয়ে অন্তিম বিদায় ?

পান্না । ভ্ৰান্তি পূৰ্ণ ধাৰণা তোমাৰ
অমৰ উদয়সিংহ—(চকুলো মচে)

হীৰা । তাৰ পিছে ? নোকোৱা কিয় ?
ঘটনা কি ? চকুলো মচিছা দেখোঁ ?
ইকি ! তেজেৰে ৰাঙলী শয্যা !

কাৰ তেজ ? কোন সেই দুৰ্ভগীয়া ?
পান্না। দুৰ্ভগীয়া নহয় সি মহা ভাগ্যবান।
ৰাজবংশ ৰক্ষাৰ কাৰণে
দিছে যেয়ে আত্মদান
স্বদেশৰ পৱিত্ৰ যজ্ঞত
কবা নেকি তুমি তাক দুৰ্ভগীয়া বুলি ?
হীৰা। নকওঁ নিশ্চয়। কিন্তু ই কি পান্না !
পুত্ৰৰ তেজেৰে তুমি পূজিছা মাতৃক ?
চলনাৰে ৰক্ষা কৰি উদয়সিংহক
বিক্ৰমৰ বংশলোপ কৰিব নিদিলা !
এনে হেন ত্যাগমন্ত্ৰ কত পালা পান্না ?
পান্না। এতিয়াও পৰা নাই কৰ্ত্তব্যৰ ওৰ।
সউ জন ৰাজপুত্ৰ পাচিৰ তলত
ৰাখিলো লুকাই মই অতি যতনেৰে।
তুলি আনি লোৱা তাক কোলাত সুমাই।
মই লই মৰা শটো নিজ তনয়ৰ
পলাও ইয়াৰ পৰা, বলা সোণকালে।
নহলে নিশ্চয় পুনু নতুন বিপদে
ধৰিবহি আগচি আমাক।
হীৰা। সেয়ে হক পান্নাদেৱী !
(উদয়ক কোলাত লৈ) নুবুজিলা শিশু !
হই গল পৈশাচিক অভিনয় কেনে

এনে হেন মাজনিশা শান্তি কুটিৰত ।

পান্না । (পুতেকলৈ চাই) আহা—আ পুত্ৰ !

দুখুনীৰ একমাত্ৰ আঁচলৰ ধন !

অভাগিনী জননীক বিসৰ্জ্জিলি আজি

শান্তিৰ কোলাত ললি অনন্ত শয়ন ।

বলা হীৰালাল ! (লাহে লাহে ওলাই যায় ।)

হীৰা । নাৰী ! যুগে যুগে দিছা তুমি

নৱ নৱ শিক্ষা কত নৰ সমাজত ।

মাতৃ, ধাত্ৰী, সঙ্গিনী, ভগিনী

তুমিয়ে মহিমাময়ী, হে নাৰী জগতপূজ্যা !

সন্নাসীয়ে কয়—

কামিনী কাঞ্চন নৰ দিয়া বিসৰ্জ্জন ।

কিন্তু হেৰা অবোধ তাপস !

বুজা নাই তুমি, নতু বুজিবৰ চেষ্টা কৰা নাই ;—

যদিওবা নাৰীয়েই কৰে নৰ্কগামী

তথাপিতো সেই নাৰীয়েই

মেলি দিয়ে পৃথিবীতে স্বৰ্গৰ দুৱাৰ ।

চোৱাহি আজি, বুজাহি আজি—

ত্যাগৰ চূড়ান্ত লীলা

যথাৰ্থ নাৰী-গৌৰৱ । (প্ৰস্থান ।)

আঁৰ-কাপোৰ

বন্দী বীৰ

ৰামসিংহ

লাহে লাহে পশ্চিমত বুৰিল তপন,
সন্ধিয়াৰ আকাশত ৰাঙলী ৰহণ।
মন্দিৰে মন্দিৰে হয় শঙ্খ ডবাধ্বনি
পবিত্ৰ ভাৰত উঠে গিৰি গুহা জিনি।
একেৰাহে আহে আছে বই লোহিত্যৰ ধাৰ
স্বাধীন অসম ৰাজ্য কৰিছে প্ৰচাৰ!
এটি দুটি কৰি সউ ফুলে তৰা ফুল
জুৰণি বিচাৰি এবে পৰাণ আকুল।
এটি মাথোঁ কাম আছে বাকী আজিলই
ভাবিম ৰণৰ কথা ৰহি অকলই!
বন্দীপাল! শীঘ্ৰে আন কোন আছে কত
উপস্থিত কৰ বন্দী মোৰ সমুখত।

বন্দীপাল

শিৰোধাৰ্য্য ৰাজআজ্ঞা কৰিলো হাজিৰ
এজন মাথোন বন্দী ৰণত আজিৰ!

ৰামসিংহ

কোন ? কৰ বন্দী তই ? কত তোৰ ঘৰ ?
কিবা নাম, কব লাগে কাৰ অনুচৰ ।

বন্দী

অসমত ঘৰ মোৰ, অসমসন্তান
অসম-ৰজাৰ প্ৰজা, এয়ে সন্নিধান ।
সমাধিছো সুকলমে ক্ষত্ৰিয়-ধৰম
ধন্য মই, জয় জয় সোণৰ অসম ।
তাতকই বেছি একো নোলাব মুখত
নহওঁ তোমাৰ দাস ৰাখিবা মনত ।

ৰামসিংহ

দাসৰ অধম তই, বন্দী আজি মোৰ
জানিছনে নাই বুলি স্বাধীনতা তোৰ ?
লাগিব উত্তৰ দিব যিবা সোধো মই
যিবা জান্ কবি মোক ভাবিচিন্তি লই ।

বন্দী

বন্দী মই—সেই কথা কৰিছো স্বীকাৰ
তাকো জানো কিবা দৰে কৰিবা বিচাৰ ।
যিবা শাস্তি দিয়া তাকে লম মূৰ পাতি
নানিম তথাপি মই দেশৰ অখ্যাতি ।

প্ৰাণ-বিনিময়ে মোৰ গুপ্ত কথা কই
নপচো অনন্ত কাল নৰকত গই ।
হাঁহিমুখে দিম মই ঘাটকক মূৰ
দিয়া, কিবা শাস্তি দিবা ৰাজা বাহাদুৰ !

ৰামসিংহ

দণ্ডৰ আগেয়ে হব দোষৰ বিচাৰ
দোষ অনুযায়ী দণ্ড—নাই প্ৰতিকাৰ !
বিপক্ষ দলৰ তই চোৰ গুপ্তচৰ
দোষ চাই দণ্ড তাৰে অতি গুৰুতৰ
বিচাৰৰ আগে দোষ কৰিলে স্বীকাৰ
বহুত লাঘৱ হব গুৰু দণ্ডভাৰ ।

বন্দী

সেয়ে যদি দোষ হয় তুমি কোৱামতে
ভয় নাই প্ৰাণ দিম হাঁহি উলাহতে ।
হব পাৰো গুপ্তচৰ দেশমাতৃকাৰ
গৌৰৱৰ কথা তাকে ভাবো বাৰেবাৰ ।
নহওঁ তোমাৰ দৰে হীন পৰদাস,
পৰৰ অন্নত নাই সমূলিকে আশ ।
নহও তোমাৰ দৰে বিদেশীৰ ভক্ত
নিবিচাৰো কেতিয়াও স্বজাতিৰ ৰক্ত ।

স্বজাতিৰ স্বাধীনতা লুটি লই গই
বিদেশীৰ পদপ্ৰান্তে দিয়া নাই মই ।
নহওঁ তোমাৰ দৰে পলৰীয়া বীৰ ,
সমুখ যুজত বন্দী উচ্চ মোৰ শিৰ ।
স্বদেশৰ স্বাধীনতা ৰক্ষাৰ কাৰণে
যুদ্ধ কৰি শুদ্ধ চিত্তে এক প্ৰাণে মনে
পুণ্য মোৰ, হল আজি কপাল মুকলি
মুক্তিৰ আহ্বান পালো, হাতত শিকলি ।
দোষৰ চৰম শাস্তি হত্যা কৰি মোক
আনন্দ লভিবা তুমি, পাম স্বৰ্গলোক ।
স্বদেশৰ বাবে মৃত্যু কামনাৰ ধন
ভক্তিভাবে তাকে মই কৰো আৱাহন ।
সাধনাতো এনে মৃত্যু পায় কেইজন
সাৰ্থক জীৱন মোৰ সাৰ্থক মৰণ ।
স্বদেশৰ বৈৰী তুমি কাল ফেটিসাপ
তোমাৰ লগত কথা—সিও মহাপাপ ।
দিয়া, দিয়া মৃত্যুদণ্ড—লও মূৰপাতি
অযথা পলম কিয় মান্ধাতাৰ নাতি ?

ৰামসিংহ

শলাগিছো মাতৃভক্তি মাতৃউপাসক
স্বাধীন দেশৰ হেৰা সুন্দৰ যুৱক !

ৰামসিংহে আশাতীত লভিছে সন্তোষ,
মুক্তি দিলো উলাহেৰে ক্ষমি যত দোষ।
শলাগো কৰ্ত্তব্যপ্ৰীতি সাহস হিয়াৰ
ধন্য বীৰ প্ৰসৱিনী জননী তোমাৰ।
ধন্য সকলোৱে এই স্বাধীন দেশৰ
দেখালা জ্বলন্ত আৰ্হি স্বদেশপ্ৰেমৰ।
স্বাধীন দেশৰ পুত্ৰ তুমি বীৰসুত,
ময়ো স্বাধীনতাপ্ৰিয় বীৰ ৰাজপুত।
যোৱা পুনু, কৰাগই প্ৰাণটাকি ৰণ—
কঁপোৱা ধুমুহা হই সমৰপ্ৰাঙ্গণ।
সমৰক্ষেত্ৰত হব পুনৰ মিলন
তৰোৱালে তৰোৱালে প্ৰেম-আলিঙ্গন।
উৰোৱা যশৰ ধ্বজা, কৰা উচ্চশিৰ
বিদায় এতিয়া তেনে অসমীয়া বীৰ!

মাতৃপূজাত মোমাই বলি

শৰাইঘাটৰ গড়—লুইতৰ দাঁতি

গড়ৰ কাম আধাআধি কৰি কৰ্ম্মীবোৰ মাটিতে নিধাল দি পৰিছে। তাৰ মাজতে লাচিতৰ মোমায়েক চিন্তামগন। নিশা শেষ হবলৈ আৰু বেছি সময় নাই।

মোমায়েক। নিশাতে সমাধা গড় নহব কদাপি
এতিয়াও বাকী আছে ভালেখিনি কাম।
সময়ো যে বেছি নাই আৰু। লাহে লাহে
আহিব লাগিছে হই নিশা অৱসান।
ভাগৰিল সৈন্যবোৰ কাম কৰি কৰি
সকলোৰে অৱশ পৰাণ। আৰু হায়
নোৱাৰি যে বিশ্ৰাম নলভি! জুৰণিৰ
আশ্ৰয় বিচাৰি, ক্ষন্তেক সৱাই এবে
লালকাল দিছে টোপনিত। দোষো নাই
সিহঁতৰ গাত—অতি ক্লান্ত অতি শ্ৰান্ত!
ময়ো যে নোৱাৰোঁ আৰু থিৰেৰে থাকিব
দুই চকু আহে জাপ খাই। নোৱাৰিলো
সেনাপতি ফুকনৰ আদেশ পালিব।

পালিমেবা কিবা দৰে ? চেষ্টাৰ অসাধ্য
আকাশত বালিঘৰ নহয় সহজ ।
কৰা যক ইয়াতেই মাটিত বাগৰি
বিশ্ৰামৰ ক্ষুদ্ৰ আয়োজন ।

বাগৰ দিয়ে ।* * হাতত হেংদান নচুৱাই লাচিত বৰফুকন আছে ।

লাচিত । ইকি দৃশ্য দেখা পালোঁ চকুৰ আগত !
সপোনত নভবা কাহিনী—দিঠকত
হল পৰিণত । নিদ্ৰিত সকলো কৰ্ম্মী ।
হোৱা নাই এতিয়াও গড় নিৰমাণ
হবৰো যে নাই আগন্তুক । ভগৱান !
দেখুৱালা মৰ্ম্মভেদী দৃশ্য অভিনয় ।
সাধনাৰ লক্ষ্যতৰা জন্মভূমি মোৰ
এনেবোৰ সন্তানৰো জনম দায়িনী !
(খঙেৰে) মোমাইদেউতা !

মোমায়েক । (লৰালৰিকৈ উঠি)
ফুকন বোপা ! আদেশ কৰা ।
আদেশ কৰা ।

লাচিত । নাই আৰু বিশেষ আদেশ । কিবা দৰে
পালিছা আদেশ মোৰ—পালো পৰিচয় ।

এয়ে নেকি কৰ্ত্তব্য তোমাৰ ?
এয়ে নেকি বাৰ্দ্ধক্যৰ সুযোগ্য চিনাকি ?
ইয়াকেই বোলে নেকি কৰ্ত্তব্য পালন ?
মোমাই। একো বুজা নাই, কোৱা ভাঙিপাতি।
লাচিত। কবলৈ একো নাই আৰু। কোৱা মোক
দিছিলোঁ তোমাক মই কিবা গুৰুভাৰ ?
মোমাই। গড় নিৰমাণ কৰা আছিল আদেশ।
লাচিত। পালিছা নে তাক ?
মোমাই। পালিছোঁ আংশিক ৰূপে।
লাছিত। তাৰ পিছে ?
মোমাই। লভিছিলোঁ ক্ষন্তেক বিশ্ৰাম।
লাচিত। বিশ্ৰাম ! যুজাৰুৰ কিহৰ বিশ্ৰাম ?
নোৱাৰিলা কৰ্ত্তব্যৰ গুৰুত্ব বুজিব।
যদিহে নহয় গড় নিশাতে নিৰ্ম্মাণ
নুবুজিলা কিবা পৰিণাম। বিজাতীয়
মোগলৰ গৰ্ব্বিত নিছান—দিবা নেকি
উৰুৱাব জননীৰ স্বাধীন শিৰত ?
দুৱাৰ মুকলি কৰি মাতৃমন্দিৰৰ
দিবা নেকি প্ৰৱেশিব স্বেচ্ছাৰে চোৰক ?
দিবা নেকি লুটি নিব স্বাধীনতা ধন ?
ক্ষন্তেকীয়া বিশ্ৰামৰ পৰা—নেভাবিলা
হব পাৰে কিমান অনিষ্ট। বয়োবৃদ্ধ

জ্ঞানোবৃদ্ধ তুমি—মোমাইদেউতা !

মোমাই । বোপাদেউতা !

অৱাবতে দোষাৰোপ নকৰা আমাত ।
পাৰোঁমানে চেষ্টা কৰি ভাগৰিলোঁ। সৱে
নিশাতে নিৰ্ম্মাণ গড় নহব কদাপি ।
ভৱিষ্যৎ যিয়েই নহক—কি কৰিম
কোনে দিব আকাশলে' সোণৰ জখলা ?
দোষ নাই কাৰো গাত । কামৰ অন্তত
অৱশ্যই লাগিব বিশ্ৰাম ।

লাচিত । বন্ধ হ কাণৰ বিন্ধা, নুশুনিবি আৰু
দেশদ্ৰোহিতাৰ কথা শুনা মহাপাপ ।
মোমাইদেউতা ! কুলাঙ্গাৰ পুত্ৰ তুমি
স্বৰ্গাদপি গৰীয়সী জননীৰ মোৰ ।
অলপো নোহোৱা তুমি কামৰ লায়ক
তোমাৰ নিচিনা কৰ্ম্মী নেলাগে আমাক ।
লোৱা প্ৰতিদান—প্ৰস্তুত হ হেংদান !

মোমাই । বোপাদেউতা !—

লাচিত । ক্ষমা নাই । কৰ্ত্তব্যৰ অৱহেলা কৰি
কৰিছিলা যিবা পাপ তাৰ ক্ষমা নাই ।
হোৱা তুমি মোমাই প্ৰাণৰ । জানো মই
বৰ স্নেহ কৰা তুমি মোক । জানো কিন্তু
ইয়াকো লগতে—স্বৰগৰ পৰা আহি

যদি মোৰ পিতৃদেৱে কৰে এই দোষ
তেওঁকো নকৰোঁ ক্ষমা। পূজনীয় তুমি,
কিন্তু তাতো কৰি শতগুণে পূজনীয়া
মাতৃভূমি চেনেহী অসম। সেই গুণে
লাচিতৰ দ্বাৰা আজি মাতৃৰ পূজাত
মোমাই বলিৰ এই হক অভিনয়।

(একে ঘাপত মোমায়েকক কাটে।)

ভালদৰে চাই ল সৱাই। এনে শাস্তি
সকলোৰে—যেয়ে হবি কৰ্ত্তব্য-বিমুখ।

(লাচিত আঁতৰি যায়। কৰ্ম্মীবোৰে উঠি
পুনৰ লৰালৰিকৈ গড়ৰ কামত লাগে।)

১ম কৰ্ম্মী। উঠ ভাইহঁত! লাগি যাওঁ কামত পুনৰ।
২য় কৰ্ম্মী। নহলে নিস্তাৰ নাই নক্ষমে ফুকনে
সৱাকে কৰিব আজি যমৰ আলহী।
৩য় কৰ্ম্মী। নিজৰ মোমাই বধি আপোন হাতেৰে
দেখুৱালে সমৰ্পিছে কেনে গুৰুভাৰ।
অসম্ভৱ এনে কামো সম্ভৱ যেতিয়া
নিশ্চয় সম্ভৱ হব গড় নিৰমাণ।

৪থ কৰ্ম্মী। নেলাগে বিশ্ৰাম আৰু নাই প্ৰয়োজন।
দেহৰ সমগ্ৰ শক্তি অৰ্পি দিওঁ সবে
গড়ৰ কাৰ্য্যত।

পুনৰ ফুকন সোমাই আহে।

লাচিত। লাগে মোক কৰ্ম্মী,
লাগে মোক বীৰ। নিবিচাৰো কাপুৰুষ,
নেলাগে ভীৰুৰ দল। বীৰ কৰ্ম্মীবৃন্দ!
ৰাখা যদি নিজ নিজ শক্তিত বিশ্বাস
কৰা যদি নিয়োজিত সকলো সামৰ্থ্য
কিদৰে নহব পাৰে গড় নিৰমাণ?
সোণৰ অসম ৰাজ্য কিনো দৰে বাৰু
মোগলৰ হয় পদানত? নিৰাশাৰ
অতল সিন্ধুত নেথাকিবা বুৰগই।
চোৱা সউ মানসৰ পৱিত্ৰ বেদত
টিমিকধামাক জ্বলে আশাৰ প্ৰদীপ।
মনত ৰাখিবা সবে উদ্দেশ্য নিজৰ।
পৱিত্ৰ আহ্বান পাই জনমভূমিৰ
আহিছো সৱাই আমি ৰণক্ষেত্ৰলই
ত্যাগ কৰি দেহৰ মমতা, পৰিহৰি
ক্ষুদ্ৰ স্বাৰ্থ যত মলিনতা। পাৰো যদি

জননীৰ জয়মালা আনিম উদ্ধাৰি।
স্থান লই পুনুবাৰ স্বাধীন কোলাত
আই মাত হেপাৰেৰে নিতউ মাতিম।
যদিষ্যাতো হয় বিপৰীতে, তথাপিতো
অস্তিমত নিজ নিজ বুকুৰ তেজেৰে
দিম আমি জননীৰ চৰণ ধুৱাই।
নাই আৰু বিশ্ৰামৰ কাল। পাৰা যদি
জননীৰ ৰাখিব সম্ভ্ৰম, তেনেহলে
নিশ্চয় জানিবা—জীৱনত বহুবাৰ
বিশ্ৰামৰ মিলিব সুযোগ। কিন্তু—
এনুৱা মাহেন্দ্ৰী ক্ষণ জননী পূজাৰ
হঠাতেই সকলোৰে নিমিলে ভাগ্যত।

কৰ্ম্মীবোৰ। জয় সেনাপতি ফুকন দেউতাৰ জয়!
জয় মাতৃভূমি অসম আইৰ জয়।

লাচিত। যথেষ্ট পাইছোঁ মই মনত উচাহ
ক্ষন্তেকতে হব গড় জিনিম সমৰ।
মোগলৰ সেনাপতি ৰাজপুত বীৰ!
ভালদৰে দৰ্পচূৰ্ণ কৰিম তোমাৰ।
ভগৱান! তুমি মাথোঁ থাকিবা সহায়।
জন্মভূমি আই মোৰ চেনেহী অসম!
ভাবিলে তোমাৰ কথা বৰ ভাল লাগে।
স্বাধীন বয়ানখনি দেখিলে তোমাৰ

চাবলৈই আকাশৰ নন্দনৰ ছবি
অলপোকে হাবিয়াস নজন্মে মনত ।
আজি মোৰ মহাভাগ্য—তোমাৰ কাৰণে
লবলৈই পাই এই তীক্ষ্ণ হেঙদান ।
নৱজন্ম হয় যদি পুনৰ ধৰাত
তেন্তে দয়াময়ী ! তুমিয়েহে হোৱা যেন
অসমা নিৰুপমা জনমভূমি মোৰ ।

আঁৰ-কাপোৰ

বীৰ-পূজা

মানাহামুখত দিল্লীশ্বৰ ঔৰংজীবৰ সেনাপতি ৰামসিংহৰ
জিৰণি বাহৰ

শৰাইঘাটৰ যুদ্ধত আহোম সেনাপতি লাচিত বৰফুকনৰ ৰণকৌশলৰ সম্মুখত তিষ্ঠিব নোৱাৰি ৰামসিংহই পৰাভৱ মানি দিল্লী অভিমুখে ভটীয়াই যাওঁতে মানাহামুখত বৈ চিন্তাযুত।

ৰামসিংহ। কি কৰিলোঁ! কি কৰিলোঁ!!
ৰাজপুত নাম আজি মুমালো সমূলি,
পবিত্র কুলত মই কলঙ্ক সানিলো।
অভিমানী ঔৰংজীবে শুনিলে ই কথা
গঞ্জনাৰ পাশুপত হানিব বুকত।
কিবা দৰে সহিম নীৰৱে? অসহনি!
মোৰ দৰে কাপুৰুষ নাই জগতত।
উলটিছোঁ ৰণৰ ক্ষেত্ৰৰ পৰা, প্ৰাণ লই
মানি পৰাভৱ, আছেনে আছেনে আৰু
কুলৰ গৌৰৱ? ছি ছি তৰোৱাল!
কঁকাল শুৱনি কৰি আগৰ নিচিনা
স্থিৰ হই একেভাবে আছ এতিয়াও?

শত্রুৰ তেজেৰে তোৰ জেউতি বঢ়াই
নোৱাৰিলো নৰাধমে মৰ্য্যাদা ৰাখিব ।
শুনিলে ই কথা মোৰ হাঁহিব জগতে ।
ভয় নাই । ভয় নাই । তথাপি উপায়
আছে এতিয়াও তাৰ । হুলেৰে কাঢ়িম
হুল, সেয়ে মাথোঁ আছে এক প্ৰতিকাৰ ।
পাতকেৰে পাতকৰ ভিখাচন কৰি
কৰিব লাগিব মোৰ কলঙ্ক মোচন !
তৰোৱাল ! বন্ধুবৰ ! কুটুম প্ৰাণৰ !
হোৱা আজি তুমি মোৰ কামত সহায় ।
সম্পদে বিপদে তুমি সদায় সমানে
কৰিছা বন্ধুৰ কাম থাকি ওচৰত ।
দেখুৱাই বন্ধুত্বৰ শেষ পৰিচয়
ধৰিব লাগিব এবে নৃশংস মূৰতি ।
পান কৰি মোৰ তুমি শোণিত বুকৰ
কৰিব লাগিব বন্ধু, তাণ্ডৱ নৰ্ত্তন ।
পৰিত্ৰাণ কৰি মোক, টানি ধৰি মোৰ
যৱনিকা জীৱন নাটৰ, আজি বন্ধু
কৰিব লাগিব মোক শেষ আলিঙ্গন ।

বুকলৈ তৰোৱাল তোলে । এনেতে বিজুলী বেগেৰে আহি সহকাৰী সেনাপতি সূৰ্য্যসিংহই বাধা দিয়ে । ৰামসিংহৰ মুঠিৰ পৰা তৰোৱাল পৰি যায় ।

সূৰ্য্যসিংহ। ৰামসিংহ মহাৰাজ !
ক্ষান্ত হোৱা। নকৰিবা এনে কুকৰ্ম।
বহুকাল আছে জীৱনৰ। কিয় আজি
জীৱনত এনুৱা বিৰাগ ?

ৰামসিংহ। সূৰ্য্যসিংহ ! সেনাপতি !
বুজাম কিদৰে মোৰ হিয়াৰ বেদনা ?
ৰাৱণৰ চিতা প্ৰায় শুকান বুকুত
যিকুৰা শোকৰ জুই জ্বলি অহৰহ
পুৰি-দেই মাৰিছে শৰীৰ. কিবা দৰে
বুকু ফালি দেখাম তোমাক ? ভাবি চোৱা
পলৰীয়া জীৱনত মোৰ, একণোকে
নাই আৰু অভিলাষ। মচিম কিদৰে
সেই কলঙ্ক কালিমা ? কাপুৰুষ বুলি
পলৰীয়া ৰাজপুত বুলি, যেয়ে শুনে
সেয়ে মোক গৰিহণা দিব। কোৱাচোন,
কিবা দৰে পাওঁ পৰিত্ৰাণ ? দিল্লীলই
যাওঁ কেনেকই ? ভাবিছিলো অসমত
নাই বুলি পৰাক্ৰমী জাতি, নাই বুলি
বীৰৰ সন্তান। সঁচাকৈয়ে সেনাপতি !
ভাবিছিলো অন্তৰৰ স'তে—অসমীয়া
শিয়ালৰ দল আৰু মোগল কেশৰী।

পৰাক্ৰমী ৰাজপুত সোহাত যেতিয়া
হেলাৰঙে পৃথিবী জিকাও, মোগলৰ
খেমালিৰ কথা । সেনাপতি! পৰাজিলে
শিয়ালে সিংহক বিশ্বাস কৰিব কোনে ?
কিন্তু আজি মোগলৰ দুৰ্ভাগ্যৰ গুণে
ৰাজপুত থাকোঁতে জীয়াই, সেয়ে হল
সেয়ে হল শৰাইঘাটত । গৌৰৱৰ,
যতনেৰে পতা আমি শূন্যৰ কাৰেঙ
ভাঁগি পৰি পৃথিৱীত হল খানবান
অভিমানী ৰাজপুত বীৰৰ আগত ।
অসহনি ! সেনাপতি, অতি অসহনি !!
বুকু ফাটি যায় !

সূৰ্য্যসিংহ । মহাৰাজ !
পৰাজিত হোৱা হিন্দু হিন্দুৰ হাতত
নহয় লাজৰ কথা । বিদেশী মোগল
বিধৰ্ম্মী বিজাতি হয়ো, পৰাজি যতেক
ৰাজপুত বীৰ, মুঠিৰ তলত ৰাখি
জয়পুৰ, যোধপুৰ, অম্বৰ, চিতোৰ
শাসিছে সৱাকে । কিন্তু, সেই আক্ষেপতে
কোন ৰাজপুত বীৰে আত্মহত্যা কৰি
দেখুৱালে দাঙি ধৰি আদৰ্শ তোমাক ?

বিধৰ্মী মোগলৰ দাসত্ব শিকলি
জীৱন কৃতাৰ্থ কৰি ডিঙিত মেৰাই
আনকো পিন্ধাম বুলি আহি সগৰ্বে
আশাত নিৰাশ হই, তুমি আজি বীৰ
মৃত্যু-অভিলাষী ? ধিক তব বীৰত্বত !

ৰামসিংহ। (ক্ষন্তেক ভাবি) সেনাপতি !
অলপো নহয় মিছা যিবা কলা তুমি
বাজিছে তোমাৰ কথা অন্তৰত মোৰ ।
অসমীয়া বীৰ জাতি বীৰৰ সন্তান।
ভগদত্ত, বাণ, ৰুক্ম প্ৰাচীন বীৰৰ
তপত বীৰৰ তেজ, প্ৰতি শিৰে শিৰে
অসম সেনাৰ গাত বিদ্যমান । প্ৰতি
অসমীয়া নিপুণ ৰণত। নাও বোৱা,
মাটি কটা, যুজ কৰা শাৰীৰিক শ্ৰম
আছে যতবোৰ—ধূলিখেল যেন ঠিক
প্ৰতি জন অসমীয়া সেনাৰ মনত।
আগেয়ে নাছিলোঁ জনা—এনে বীৰ জাতি
শোভিছে বুকুতে বুলি ভাৰত মাতাৰ ।
অসমীয়া সেনাপতি লাচিত ফুকন
অতুল প্ৰতিভাশালী বিচক্ষণ বীৰ।
ইয়াকো জানিবা ঠিক, লাভ কৰা এনে

বীৰ ৰত্ন অসমৰ সকলো জাতিৰ।
পাবলই এনে ৰত্ন পিন্ধিব শিৰত
প্ৰয়োজন শত তপস্যাৰ। লাভ কৰি
এনে ৰত্ন, লাভ কৰি বিভুৰ আশীষ
স্বাধীনতা মণি পিন্ধি অসমে নিশ্চয়
পৰাক্ৰমী মোগলৰ সমানে সমানে
মূৰ তুলি সগৰৱে আছে থিয় হই।
অসমেহে একমাত্ৰ আজি জগতত
হিন্দুৰ মৰ্য্যদা ৰাখি পাৰিছে তিষ্ঠিব।
ইয়াতোকে নাই আৰু কথা গৌৰৱৰ।

সূৰ্য্যসিংহ। নহয় অলপো মিছা।
করুণা আশীষ-প্ৰাপ্ত বিধতাদেৱৰ
অসমীয়া জাতি। নহলেনো মহাৰাজ!
কাৰ আছে জগতত ইমান সৌভাগ্য?
ভুৱনমোহিনী বেশ পিন্ধি ইয়াতেই
বিৰাজিছে প্ৰকৃতিও লাহবেশ কৰি।
সোমালোহি যেবে মই পোনে পোনে এই
মৰতৰ কাম্যকাননত, দেখা পাই
প্ৰকৃতিৰ লাহবেশ বাছকবনীয়া
নোৱাৰিলো নেভাবি মনত, ইয়াতেই
বিৰাজিছে এতিয়াও সত্য যুগ যেন

তাহানি কালৰ। তপস্যাৰ সিদ্ধাশ্ৰম
ঋষিমুনি তাপসসবৰ, এক মাথোঁ
হব পাৰে এই দেশখনি। নহয়নে মহাৰাজ ?

ৰামসিংহ। ঠিক সেনাপতি! যি দেশত
লাচিতৰ দৰে আছে বীৰ্য্যবান বীৰ
যি দেশৰ প্ৰতি পুত্ৰ নিপুণ ৰণত
যি দেশত স্বাধীনতা শোভে কণ্ঠহাৰ
সি দেশত সত্য যুগ চিৰবিৰাজিত
সেই দেশ শত বাৰ দেৱৰো নমস্য
যি দেশত প্ৰকৃতিয়ে আলফুল কৰি
আঁকিছে নিতউ নব মনোহৰ পট
যি দেশত ৰণচণ্ডী বিহৰি আনন্দে
গঢ়িছে নিতউ নব অসমীয়া বীৰ
পুণ্যময়ী সেই দেশ স্বৰ্গ সাধনাৰ।
ৰাজপুত বীৰ জাতি বীৰ বংশধৰ
বীৰপূজা ৰাজপুতে জানে ভালদৰে,
ৰাজপুত ৰামসিংহে সেয়েহে আজিও
সহিব নীৰৱে এই ঘোৰ অপমান,
যত দিন পৃথিৱীত থাকিম জীয়াই
তত দিন শত মুখে কৰিম ঘোষণা—
ৰাজপুত মোগলৰ সম্মিলিত শক্তি

দেখুৱাই শৌৰ্য্য-বীৰ্য্য ভীম পৰাক্ৰম
কিনো দৰে পৰাজিলে অসমীয়া বীৰে।
সোণালী আখৰে লেখা ৰব বুৰঞ্জীত
পৱিত্ৰ কাহিনী। দেখুৱা হলদিঘাট
তেনুৱা শৰাইঘাটো পৰম পৱিত্ৰ
এই কথা বুজাম সৱাকে। যদিওবা
পলৰীয়া ৰাজপুত মই, তথাপিতো
ইচ্ছা হলে তাৰ পৰা লভিব নিস্কৃতি
কৰিব লাগিব মাথোঁ এই উপায়েৰে
ষোড়শোপচাৰে বীৰপূজা! বীৰপূজা!!

(বেগেৰে গুচি যায়।)

সূৰ্য্যসিংহ। সুন্দৰ!

আঁৰ-কাপোৰ পৰে

কুৰঙ্গনয়নী
বা
মগলৌ কুৰঁৰী

তেতিয়া মৰাণৰ দিন। অসম ৰাজ্যৰ সিংহপীৰাত ৰমাকান্ত। স্বৰ্গদেৱ লক্ষ্মীসিংহ জয়দৌলত বন্দী। ঘনশ্যাম বুঢ়াগোঁহাই আৰু বাইলুং বৰগোঁহাই আদি ডাঙৰীয়া বিষয়াসকল পলৰীয়া বন্দী। মন্ত্ৰী ৰাঘ মৰাণৰ অন্তেসপুৰত নিৰ্য্যাতিতা মণিপুৰৰ ৰাজকন্যা, বৰকুঁৱৰী কুৰঙ্গনয়নী। সেইদিনা ১৬৯২ শকৰ বহাগৰ বিহু। নগৰৰ প্ৰায় মুনিহ মৰাণসকলে বিহু উপলক্ষে নিজৰ গাঁৱলৈ জ্ঞাতি-কুটুমৰ সৈতে বিহু খাবলৈ গৈছিল। নিশা। কাৰেঙত ৰাঘ, ৰমাকান্ত আৰু নাহৰেই পুৰুষ মৰাণ। অন্তেসপুৰত ৰাঘ নিদ্ৰিত— কাষতে চিন্তামগনা হৈ কুৰঙ্গনয়নী উজাগৰে বহি আছে।

কুঃ নয়নী। (স্বগত) গভীৰ নিদ্ৰাত আহা পৰিছে পাতকী।
নাই মাতবোল। বিহৰিছে মহাসুখে
সপোন ৰাজ্যত। নাই আৰু বেছি পৰ
মিলিব মাহেন্দ্ৰ ক্ষণ। প্ৰতি পলে পলে
চমু চাপি আহিছে সুযোগ। ভয়ঙ্কৰী
সাজে আজি সাজি বিভাবৰী, কয় মোক—
নাই চিন্তা, আজি হন্তে কপাল মুকলি।
একমাত্ৰ আছে এই প্ৰাণত আশ্বাস
সেয়েহে জীৱন আছে—দেখিছে ঈশ্বৰে।

উস্ ! কি যে মই নৰকত জীৱন যাপিছো
এনেভাবে দস্যু-কবলত। স্বামী মোৰ !
আৰাধ্য দেৱতা তুমি—ক্ষমিবা দাসীক।
দিবলৈ পৰাচিত মহাপাতকৰ
আজি মিলে শুভ ক্ষণ। কোমলা ৰমণী—
মিছা কথা, আজি মই নহওঁ কোমলা।
কোমলা নাৰীয়ে আজি ভয়ঙ্কৰা ৰূপে
পিশাচী ৰাক্ষসী হই সংহাৰ মূৰ্ত্তিৰে
লেখি দিব ভাগ্য-লিপি অসম ৰজাৰ।
শুই ল সুখেৰে এবে পাপিষ্ঠ ৰাঘৱ !
আজিয়েই শেষ তোৰ যত পাপ লীলা।
মাৰ যাব আয়ুৰবি মুদিবি নয়ন
ঘুমাব জীৱনবন্তি চিৰকাললই।
জাপ দিয়া তিৰোতাৰ ৰূপ অগনিত
কেনে শাস্তি শিকিবি পাতকী ! হয় যদি
হব আজি তোৰ শেষ—নহলে নিশ্চয়
শেষ দিন মোৰ পৃথিৱীত।

(শৰাইৰ পৰা হেংদান হাতত লৈ)

এয়ে অসি, আজি মোৰ প্ৰধান সহায়।
কৰিম ইয়াৰে তোৰ জীৱন নিপাত।
নকঁপিবি হাত। পাৰিম নে এইদৰে
বাৰু ? নিশ্চয় পাৰিম। ৰাজদ্ৰোহী তই

অত্যাচাৰী অধৰমী পাপিষ্ঠ ৰাঘৱ !
আঁতৰাই স্বামী মোৰ প্ৰাণৰ দেৱতা
কাৰেঙত ৰাখি মোক কাল-ভূজঙ্গিনী
সুখেৰে গইছ নিদ্ৰা ইমান সাহস !
আৰু অসহ্য পলম্। এতিয়াও কিয়
অস্য নাই ডাঙৰীয়া বিষয়াসকল ?
হেৰালে নেপাব আৰু এনেটি সুযোগ।
ইন্দ্ৰবংশী আহোমৰ স্বৰ্ণ-সিংহাসন
কদাপিতো নহব উদ্ধাৰ।

মেঘে গাজে। ৰাঘই উচাপ খাই উঠি বহে। কুৰঙ্গনয়নীয়ে
অসি কাপোৰৰ আঁৰত লুকায়।

ৰাঘ। ইকি ! ই যে প্ৰলয়ৰ ভীষণ হুঙ্কাৰ
ঘন ঘোৰ গৰজন হল আকাশত।
কুঃ নয়নী। (স্বগত) কয় যেন নিয়তিয়ে বিকট হাঁহিৰে—
সাৱধান সাৱধান পাপিষ্ঠ ৰাঘৱ !
ৰাঘ। কুৱঁৰী ! শোৱা নাই এতিয়াও তুমি ?
কুঃ নয়নী। নাই মোৰ চকুত টোপনি।
মোৰ কথা নেলাগে ভাবিব। শুম মই
যেতিয়া টোপনি আহে। শোৱক আপুনি।

(পুনৰ মেঘৰ গাজনি।)

ৰাঘ। আকউ আকউ সেয়া ভীষণ হুঙ্কাৰ—
আচম্বিতে যেন মোৰ কঁপি উঠে প্ৰাণ।
কাষ চাপি আহঁা প্ৰিয়তমা! কতদিন?
ইদৰে আঁতৰি ৰবা আৰু কত দিন?
ইদৰে আগত মেলি সৌন্দৰ্য্য সম্ভাৰ
মতলীয়া কৰি মোৰ হিয়া, কি আনন্দ
কিনো সুখ কৰে লাভ হৃদয়ে তোমাৰ?
কোৱাচোঁ কুঁৱৰী! ষুঠেনে উচুপি প্ৰাণ
অতীতৰ ঘিণলগা জীৱন সুঁৱৰি?
পৰেনে মনত বাৰু অতীতৰ সেই
এনে মধু মিলনৰ জোনালী যামিনী?
কু: নঃ। অতীতৰ কথা আজি লয় অতীজত।
ৰাঘ। সঁচা, সঁচা প্ৰিয়ে! অতীত অতীত আজি।
মধুময় বৰ্ত্তমানে প্ৰেমমধু দানে
কৰিছে তেনেই আজি আপোনপাহৰা।
তুমি ৰাণী মই ৰজা, প্ৰণয়পুৰীত
ছুটি যেন প্ৰাণী আজি বিশ্বত কেৱল
আছে আৰু—মলয়াত ফুলৰ সুঘ্ৰাণ
বসন্তৰ কোকিল-কাকলি, শৰতৰ
ধাৰাসাৰ শীতল জোনাক, আকাশত
লাখ লাখ তৰাৰ দীপালি। তুমি ফুল
মই মধুকৰ, মোহিনী উৰ্ব্বশী তুমি

মই পুৰন্দৰ। নহয় নে ৰাজ ?

কুঃ নঃ। এটা কথা—

ৰাঘ। নকৰিবা সঙ্কোচ মনত। কোৱা শীঘ্ৰে—
অসমৰ ভাগ্য-বিধতা ৰাঘৱ মই
সেই বুলি নাই একো অদেয় তোমাক।

বাহিৰত বিহুৰ ঢোল, খোল, টকা পেপা গগণা
আদি বাজি উঠে।

ৰাঘ। ঢোল খোল ৰাদ্য কিয় বাজে বাহিৰত
কোনে মোৰ ভাঁগি দিলে সুখৰ সপোন ?

কুঃ নঃ। বছৰৰ বিহু আজি অতি পুণ্য দিন।
বিহু গাবলই আহি জ্ঞাতি-পৰিজন
ৰই আছে চোতালত টকা পেপা লই।
বলক বাহিৰ হই জ্ঞাতিয়ে মাতিছে
ৰাইজৰ আশীৰ্ব্বাদ ৰজাৰ শিৰত
হব লাগে বৰিষণ পূৰ্ব্ব বিধিমতে।

ৰাঘ। যাওঁ মই, কত মোৰ হেঙদান ?

কুঃ নঃ। কিনো হেতু লাগে হেঙদান ? যুজলই
যাব লগা হোৱা সাজপাৰ কৰি।
জ্ঞাতিৰ কাষলৈ গলে উচবৰ দিনা
শুভ কাৰ্য্য হেঙদানে কৰিব অশুভ।

ৰাঘ। ভাল কথা, মানি ললোঁ তোমাৰে কথাকে।
তুমিও লগতে ব'লা।

[প্ৰস্থান।]

কুঃ নয়নী। অত্যাচাৰে লোভ, লোভে পাপ, মৃত্যু।

[প্ৰস্থান।]

পট পৰিবৰ্ত্তন

ৰাঘৰ চোতাল

মোৱামৰীয়াবেশী ৰাজসেনা, বিবয়া, ডাঙৰীয়াসকলে হাতে হাতে টকা, পেপা, ঢোল, গগণা লৈ হুচৰি গাইছে। ৰাঘ আৰু কুৰঙ্গনয়নী আদি থিয় হৈ আছে। ৰাঘৰ আগত তামোল-পাণ এশৰাই আৰু সোণ-ৰূপ এচৰু।

ছদ্মবেশী সেনাসকল।

হুচৰিৰ গীত

"কৃষ্ণাইৰ মূৰৰে বকুল ফুল এপাহি
নিয়ৰ পাই মুকলি হল
ঐ গোবিন্দাই ৰাম।
—ইত্যাদি

সকলোৱে । জয় ৰাজমন্ত্ৰী ৰাঘ বৰবৰুৱাৰ জয় ।
জয় হৰি বোলা । জয় ৰাম বোলা ।
ৰাঘ । কুঁৱৰী ! কৰ্ত্তব্য মোৰ ?
সকলোৱে । জয় ৰাজমন্ত্ৰী ৰাঘ বৰবৰুৱাৰ জয় ।
জয় হৰি বোলা । জয় ৰাম বোলা ।
ৰাঘ । কুঁৱৰী ! কৰ্ত্তব্য মোৰ ?
কু:নয়নী । আঠু লই নতশিৰে
ৰাইজৰ আশীৰ্ব্বাদ কৰক গ্ৰহণ ।
মানি ললে পূৰ্ব্বাপৰ চলি অহা ৰীতি
'ৰজা আজি সৰু, ৰাইজেহে বৰ
জয়জয় ময়ময় নতুন বছৰ ।
ৰাঘ । সেয়েই হওক ।
ৰাইজে ৰাঘৰ সেৱা কৰক গ্ৰহণ ।

(আঠু লৈ ৰাইজক সেৱা কৰে ।)

কু:নয়নী ! তেন্তে, এই ল মৃত্যু-দণ্ড নৰাধম !
জয় স্বৰ্গদেৱ লক্ষ্মীসিংহৰ জয় ।

কাপোৰৰ আঁৰত লুকাই ৰখা হেঙদানেৰে চকুৰ পচাৰতে ৰাঘৰ ডিঙিত আঘাত কৰে ।

সকলোৱে। জয় মহাৰাণী কুৰঙ্গনয়নীৰ জয়।

সকলোৱে নিজ নিজ বেশ ধৰিলে। ৰামকৃষ্ণায়ে ৰাঘৰ কাটি অস্ত কৰিলে। ৰমাকান্ত, নাহৰ খোৰা আৰু আন আন মৰাণকো হুচৰি গোৱা গুপ্ত সেনাবোৰে যাকে যতে পালে ততে কাটিলে। অন্তেসপুৰত থকা ৰাঘৰ এশ ভাৰ্য্য' দেশপ্ৰেমিকা অসমীয়া জীয়ৰীসকলে হাতে হাতে দা যাঠী যি পালে তাকে লৈ ওলাই আহি এই হত্যা-লীলাত যোগ দিলে।

কুৰঙ্গ। কেনে পালি পাষণ্ড ৰাঘৱ? ভাবিছিলি
কি কৰিব পাৰে এই দুৰ্ব্বলা ৰমণী?
ভাবিছিলি তই—নাৰীৰ হৃদয় ৰাজ্য
লব পাৰি পাশৱিক বল-প্ৰয়োগেৰে।
কিন্তু আজি এৰা? কেনে মজা! কেনে মজা!
(হাত চাপৰি দিয়ে।)

বুঢ়াগোহাঁই ঘনশ্যাম।
উলিয়াই অস্ত্ৰ-শস্ত্ৰ আহোম সৈনিক!
আক্ৰমণ কৰ ৰাজপুৰী। আক্ৰমণ
কৰ ভৈৰব হুঙ্কাৰে। পাপিষ্ঠ মৰাণ!
নপলাবি, নপলাবি শিয়ালৰ দৰে!
জয়লক্ষ্মী আজি আহোমৰ!

বৰগোহাঁই । জয় স্বৰ্গদেৱৰ জয় ।

সকলোৱে । জয় স্বৰ্গদেৱৰ জয় ।

বুঢ়াগোহাঁই । জয় মহাৰাণী কুৰঙ্গনয়নীৰ জয় ।

সকলোৱে । জয় মগাৰাণী কুৰঙ্গনয়নীৰ জয় ।

অঁৰ কাপোৰ

শেষ-অৰ্ঘ্য

ভায়েক

ককাইদেউ !

কিয় মোক বাধা দিছা শুভ কৰমত,
জীৱন আহুতি দিম পৱিত্ৰ যজ্ঞত ?
নেপাম এবাৰ গলে এনে শুভ ক্ষণ,
স্বাধীনতা হেতু কৰা এয়ে শেষ ৰণ।

পাপিষ্ঠ মানৱ আৰু কত অত্যাচাৰ,
কৰিম নীৰৱে সহ্য সহিম নিকাৰ ?
নাৰীৰ সতীত্ব ধন অমূল্য ৰতন,
নৰাধমহঁতে আহি কৰিছে হৰণ।
যমৰ যাতনা দিছে দয়া-মায়া এৰি
লুটি নিলে ধন-সোণ দেশ শুদা কৰি।
জীৱন সঙ্কটাপন্ন ৰজা পলৰীয়া
ভাবিলে দেশৰ কথা ফাটি যায় হিয়া।
শান্তিময়ী জন্মভূমি হল থানবান,
সোণৰ অসম ৰাজ্য ভীষণ শ্মশান।

ককায়েক

দেখিছো সকলো মই দেশৰ দুৰ্দ্দিন,
অসমৰ ৰাজলক্ষ্মী অনন্তত লীন।
স্বাধীনতা ৰঙা বেলি ছশ বছৰৰ,
অস্তগিৰি শিখৰত বিশ্ৰামকাতৰ।
চিৰকাল সকলোৰে সমানে নাযায়
কাল-অভিশাপ এনে পৰিত্ৰাণ নাই।
দেশৰ এনুৱা দশা দেখিব নোৱাৰি,
দেউতা, ককাইদেউ গল আগবাঢ়ি।
জানিলে জীৱন মিছা, মৰণেই ভাল,
নাহিল উলটি হায় এনেহে কপাল!
মানৰ লগত জিকা অসম্ভৱ ৰণ,
যতেক স্বদেশভক্ত এৰিলে জীৱন।
ফেনেফোটোকাৰে ধাঢ়ে বাৰিষাৰ নই,
কি কৰিবি ভাই তই অকলই গই?
পদানতা হল আই জানিবি সঁচাই,
পাৰিবি পৰাণ দিব লাভ হলে নাই।

ভায়েক

বুজাত বুজিছা ভুল, লাভ কিয় নাই,
মৰিব জানিব লাগে তাতো সুখ পাই।

ইয়াতোকে কিবা আৰু হব পাৰে লাজ,
পৰাধীন জীৱনত নাই মোৰ কাজ।
বীৰপুত্ৰ হওঁ মই মাতৃ অসমৰ
শিৰে শিৰে বয় ধাৰ তপ্ত শোণিতৰ।
লাঞ্চিত বাণৰ এই পূত জন্মভূমি
সিদেশৰ পুত্ৰ মই নেজানানে তুমি ?
প্ৰাণদানে কত পুত্ৰে অসাধ্য সাধিলে,
মোৰো যে বাঢ়িব যশ প্ৰাণ বলি দিলে।
নোৱাৰো থিৰেৰে ৰব যায় লগৰীয়া,
শুনা বাজে ঢাক-ঢোল—জয় অসমীয়া।

ককায়েক

জানো মই কিনো হব দূৰ ভৱিষ্যৎ,
কিমতে সপিম তোক যমৰ মুখত ?
মাজ মজিয়াতে মানে লভিলে থিতাপি,
অসমৰ ৰাজলক্ষ্মী নোলটে কদাপি।
হক বাৰু হয় ৰণ, যাক সৈন্যদল,
দুদিন অপেক্ষা কৰ চাওঁ ফলাফল।

ভায়েক

ঘৰত লাগিছে জুই আঁতৰতে জুমি,
থাকিম সাৱটি হাত কিনো কোৱা তুমি ?

কৰযোৰে ককাইটি ! মাগিছো বিদায়,
শেষ চেষ্টা ব্যৰ্থ হলে নহব উপায় ।
চোৱাচোঁ এবাৰ ভাবি অসমৰ দশা,
আহিব লাগিছে নামি আঁউসীৰ নিশা ।
কান্দোতে কান্দোতে হল ওড় ফুল চকু,
সন্তানৰ শোণিতেৰে ভাহি গল বুকু ।
আহে যদি জয়লক্ষ্মী কালিৰ ৰণত,
অসাধ্য সাধন হব ক্ষুদ্ৰ জীৱনত ।
কিন্তু যদি বিপৰীত বিধিৰ লিখন,
আদৰিম বীৰবেশে বীৰৰ মৰণ ।
স্বাধীনতা সকলোৰে জন্মগত স্বত্ব,
শ্মশানত মানে আহি কৰিব ৰাজত্ব ।
মহগড় নামে ঠাই ৰণ হব তাতে,
যাব লাগে এতিয়াই পাব পাৰো যাতে ।
অসমৰ ভাগ্যৰেলি নিৰূপণ স্থল,
সেয়েই উদয়গিৰি কিম্বা অস্তাচল ।
যেয়ে যতে চুকে-কোণে আছিল লুকাই,
মৰণত শৰণ দি আহিছে ওলাই ।
চন্দ্ৰকান্ত সিংহ ৰজা হব সেনাপতি,
প্ৰতিশোধ—প্ৰতিশোধ ! দেশৰ দুৰ্গতি
ওপৰত অসমৰ উৰিলে নিছান,
তলত মৰিব পাৰে অসম সন্তান ।

ইমানতো বাক মই কাপুৰুষ হই,
পাৰোনে থাকিব ৰই ক্ষুদ্ৰ প্ৰাণ লই ?
নোবোলে কোনেও ভাল, গৰিহণা দিব ।
ওপৰৰ ঈশ্বৰেও নিশ্চয় শাপিব ।
ভৰিত ধৰিছো মই দিয়া অনুমতি,
কালিয়েই ৰণতৃষ্ণা হব সমাপতি ।

ককায়েক

জানো মই সকলোকে গুণো আগপিছ,
স্বদেশপ্ৰেমত ময়ো নোহো কদা নীচ !
দেউতা আইতা যত আত্মীয়-স্বজন,
মানৱ হাতত হল সৱাৰে নিধন ।
আছো মাথোঁ দুই ভাই, তাৰো মাজে তই,
বয়সত কুমলীয়া আছ সৰু হই—
সেয়েহে ইমান দিন তোৰ কাৰণেই
সংসাৰত আছো ৰই শোক-তাপ লই ।
স্বজাতিৰ শত্ৰু মান ৰাজকাৰেঙত,
প্ৰতিশোধ বহ্নিশিখা জ্বলে অন্তৰত ।
ধন মান স্বাধীনতা সকলোকে নিলে,
স্বদেশবাসীক মোৰ চকু কটা দিলে ।
সোণৰ সঁফুৰা দেশ জন্মভূমি মোৰ,
দিনে-নিশা জ্বলে তাত শ্মশানৰ জোৰ ।

ভক্তিভাবে ধৰ এই তীক্ষ্ণ তৰোৱাল,
শুনি কৰিছিল ই পিতৃৰ ককাল।
ৰাখিছিলো অতদিন অত সযতনে,
গটালো হাতত তোৰ আনন্দিত মনে।
পালিছো কালত আজি পিতৃৰ আদেশ,
জয় জয় জন্মভূমি জয় মোৰ দেশ !
পিতৃদত্ত উপহাৰ তিৰবিৰ কৰে,
বঢ়াবি শ্ৰেউতি তাৰ মানৱ তেজেৰে।
অন্তৰত এই আশা ৰাখিছিলো সাঁচি,
বল, বল বীৰ ভ্ৰাতৃ ! যাও সাজিকাচি।
পাৰো যদি মান সেনা কৰিম নিপাত,
নতুবা মৃত্যুৰ সতে সমুখ সাক্ষাৎ।
মাতৃ আজি মহাকালী দেৱী দশভুজা,
পুত্ৰৰ তেজেৰে লব শেষ বলিপূজা।
বল, বল বীৰভ্ৰাতৃ ! দিও আত্মবলি,
স্বদেশযজ্ঞত দিও ৰক্ত-পুষ্পাঞ্জলি !
সমস্বৰে গাই গাই জননীৰ গান,
দিম দুয়ো জীৱনৰ শেষ-অৰ্ঘ্য দান।

ভায়েক

ধন্য হলো মই আজি, ধন্য হলা তুমি,
লগে লগে ধন্য হব বীৰ মাতৃভূমি।

পিতৃদণ্ড তৰোৱাল থাকোতে হাতত
নেপাও অলপো ভয় শত্রুৰ নামত ।
মানৱ শোণিত কাটি হেপাহেৰে পিম,
মানৱ মঙহ কাটি কুকুৰক দিম ।
ৰাতিটো অপেক্ষা কৰ অধৰমী মান !
কাইলই ভালদৰে দিম প্ৰতিদান ।
ৰণৰ নামত আজি প্ৰাণ মতলীয়া
জয় জয় স্বৰ্গদেৱ ! জয় অসমীয়া !

ককায়েক

যাওঁ বল বেছি পৰ নসহে পলম
জয় অসমীয়া, জয় ক্ষত্ৰিয় ধৰম ।
সেনাপতি বুলি আজি কৰো শত সেৱ
জয় চন্দ্ৰকান্তসিংহ, জয় স্বৰ্গদেৱ ।

সমাপ্ত

ইয়াৰ পিছত ওলাবলগীয়া :—

মঞ্চ-প্ৰদীপ

[সুনিৰ্ব্বাচিত নাটিকাৱলী]

জাকজমক নতুন সাজেৰে ওলাইছে :—

নৰকাসুৰ, বেউলা, শ্ৰীৰামচন্দ্ৰ, নন্দদুলাল, চম্পাৱতী, কুৰুক্ষেত্ৰ, কনৌজকুঁৱৰী, ৰুক্মিণী হৰণ, মাণিকিমধুৰী আদি—

পোৱাৰ ঠাই :— শ্ৰীজিতেন্দ্ৰজিৎ মেধি
উজান বজাৰ
গুৱাহাটী

অতুল নাটকাৱলী

নৰকাসুৰ
বেউলা
নন্দদুলাল
ৰুক্মিণী-হৰণ
কুৰুক্ষেত্ৰ
চম্পাৱতী
শ্ৰীৰামচন্দ্ৰ
কনৌজ-কুঁৱৰী
ছত্ৰপতি শিৱাজী
মানস-প্ৰতিমা
সাৱিত্ৰী
মৰ্জ্জিয়ানা
কল্যাণী
বণিজ কোঁৱৰ
অশ্ৰু-তীৰ্থ
শকুন্তলা

চপলা বুক ষ্টল
শিলং

নতুন যুগৰ নতুন সাহিত্য

ৰুক্মিণীহৰণ	নাট	অতুল হাজৰিকা	২॥০
গৌৰৱময় অসম	চিত্ৰাৱলী	ৰাজমোহন নাথ	৬৲
শোণিত-কুঁৱৰী	নাট	জ্যোতি আগৰৱালা	২॥০
কনৌজ কুঁৱৰী	নাট	অতুল হাজৰিকা	২৲
ছত্ৰপতি শিৱাজী	নাট	অতুল হাজৰিকা	২
ভক্ত প্ৰহ্লাদ	নাট	মুক্তি বৰদলৈ	১।০
স্মৃতি তীৰ্থ	জীৱনী	নলিনী দেৱী	৮
জাতীয় সঙ্গীত	গান	অতুল হাজৰিকা	২৲
বিদেশী সাধু	গল্প	অম্বিকা গোস্বামী	২॥০
চম্পাৱতী	নাট	অতুল হাজৰিকা	২
মাণিকমধুৰী	শিশু কবিতা	অতুল হাজৰিকা	১॥০
বিদ্ৰোহী	উপন্যাস	দৈৱ তালুকদাৰ	২।০
লভিতা	নাট	জ্যোতি আগৰৱালা	২॥০
[illegible]	প্ৰবন্ধ	অতুল হাজৰিকা	২
ৰামায়ণ সাহিত্য	সমালোচনা	উপেন্দ্ৰ লেখাৰু	৩৲
নীলা চৰাই	আখ্যান	অতুল হাজৰিকা	১॥০
[illegible]	নাট	কমলেশ্বৰ চলিহা	॥০
প্ৰাৰ্থনা-পাঠ	গীত	নগেন্দ্ৰ শৰ্মা	।৵০

চপলা বুক ষ্টল শ্বিলং